www.asombarta.in
অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক
শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক
# অসম বাৰ্তা
PRGI REGD. NO. : ASASS/25/A2361

প্ৰশংসা কৰোঁতে সংযত হ'বা,
তাতকৈ বেছি সংযত হ'বা নিন্দা কৰোঁতে।
—উইলিয়াম লেংলেণ্ড।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❑ ষষ্ঠ বছৰ ❑ সংখ্যা - ২৪৫ ❑ শুকুৰবাৰ ❑ ২৮ নৱেম্বৰ, ২০২৫ চন ❑ ১১ আঘোণ, ১৯৪৭ শক ❑ VOL - 6 ❑ NO.- 245 ❑ Friday ❑ 28th November, 2025 ❑ মূল্য ঃ ১০.০০ টকা ❑ মুঠ পৃষ্ঠা ঃ ৮

**পুনৰ চৰকাৰ গঠন কৰিলেই ছোৱালীৰ বিয়াৰ বয়স ২১ বছৰ কৰিব মুখ্যমন্ত্ৰীয়ে !**

# বহুবিবাহ প্ৰতিৰোধৰ লক্ষ্যৰে বিধানসভাত গৃহীত বিধেয়ক

## এই বিধেয়ক কোনো ধৰ্মৰ বিৰুদ্ধে নহয়, এয়া মানৱতাৰ পক্ষে ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৭ নৱেম্বৰ ঃ** অসমৰ সামাজিক ইতিহাসত এক যুগান্তকাৰী দিন আজি। বৃহস্পতিবাৰে বিধানসভাত তীব্ৰ বিতৰ্ক আৰু উত্তপ্ত পৰিৱেশৰ মাজেৰে গৃহীত হৈছে 'অসম বহুবিবাহ প্ৰতিৰোধ বিধেয়ক, ২০২৫'। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নিজে সদনত বিধেয়কখন উত্থাপন কৰে আৰু দীঘলীয়া আলোচনাৰ পিছত ইয়াক সদনে অনুমোদন জনায়। বিধেয়ক উত্থাপনৰ পিছতে মুখ্যমন্ত্ৰীয়ে অতি আৱেগিক ভাষণত কয়, "মোৰ ছোৱালীয়ে ২১ বছৰ বয়সত বিশ্ববিদ্যালয়ত পঢ়ি থকাৰ সময়ত আন কোনো ছোৱালীয়ে ১৫ বছৰ বয়সতে মাক হোৱাটো মই কেতিয়াও বিচৰা নাই। এই বিধেয়ক নিপীড়িত, নিষ্পেষিত মহিলাৰ বাবে। যিসকলে ইয়াৰ বিৰোধিতা কৰিছে, তেওঁলোকৰ মনত মহিলাৰ প্ৰতি সন্মান নাই।" তেওঁ লগতে কয় যে ৰাজ্যত বহুবিবাহ এতিয়া প্ৰায় বন্ধ হৈ পৰিছে আৰু এই বিধেয়ক ধৰ্ম-জাতি নিৰ্বিশেষে ▸▸৬ পৃষ্ঠাত



## চালক অসুস্থ হৈ পৰাত ঘটিল ঘটনা

### যোৰহাটত দুৰ্ঘটনাৰ পৰা কথামপি ৰক্ষা পৰিল গৌৰৱ গগৈ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৭ নৱেম্বৰ ঃ** কংগ্ৰেছৰ উপ-সভাপতি তথা যোৰহাটৰ সাংসদ গৌৰৱ গগৈৰ ব্যক্তিগত বাহনখন বৃহস্পতিবাৰে যোৰহাটত এখন সৰু দুৰ্ঘটনাত পতিত হয়। তেওঁৰ বাহন চলাই থকা চালকজন হঠাৎ অসুস্থ হৈ পৰাত বাহনখনৰ নিয়ন্ত্ৰণ হেৰুৱাই দুৰ্ঘটনাটো সংঘটিত হয় বুলি গৌৰৱ গগৈয়ে ▸▸৬ পৃষ্ঠাত

## মেট্ৰিক পৰীক্ষাত বহিবলগীয়া ছাত্ৰ ছাত্ৰীলৈ তিনি মাহৰ ৩০০ টকাকৈ ভাট্টা



### ৩ ডিচেম্বৰত প্ৰদান কৰা হ'ব আৰক্ষীৰ নিযুক্তি-পত্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৭ নৱেম্বৰ ঃ** দীৰ্ঘদিনীয়া অপেক্ষাৰ অন্ত পেলাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে ফেচবুক লাইভযোগে ▸▸৬ পৃষ্ঠাত

**ঢাকা আদালতৰ ঐতিহাসিক ৰায়**


## মৃত্যুদণ্ড নহয়, শ্বেখ হাছিনাক ২১ বছৰৰ কাৰাদণ্ড



**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৭ নৱেম্বৰ ঃ** বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাক ঢাকাৰ বিশেষ ন্যায়ালয়ে তিনিখন পৃথক ভূমি জালিয়াতিৰ গোচৰত ৭ বছৰকৈ মুঠ ২১ বছৰৰ কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰিছে। বিশেষ ন্যায়াধীশ মহম্মদ আব্দুল্লাহ আল মামুনে ঘোষণা কৰা এই ৰায়ত হাছিনাৰ পুত্ৰ ছাজিব ৱাজেদ জয়ক ৫ বছৰ কাৰাদণ্ড আৰু এক লাখ টকা ▸▸৬ পৃষ্ঠাত

আহমেদাবাদত ২০৩০ৰ কমনৱেলথ গেমছ


## কমনৱেলথ গেমছ ফেডাৰেচনৰ সাধাৰণ সভাত সিদ্ধান্ত



**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৭ নৱেম্বৰ ঃ** ২০৩০ৰ কমনৱেলথ গেমছ আহমেদাবাদত অনুষ্ঠিত হ'ব বুলি আনুষ্ঠানিকভাৱে ঘোষণা হৈছে। কমনৱেলথ গেমছ ফেডাৰেচনৰ সাধাৰণ সভাত এই সিদ্ধান্ত লোৱা হয় আৰু তাৰ পিছতে গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পটেল আৰু কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী মনসুখ মাণ্ডৱীয়াই যুটীয়াভাৱে এই খবৰ ৰাইজৰ ▸▸৬ পৃষ্ঠাত

■ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জামিন মঞ্জুৰ ঃ কাৰাবাসৰ নিৰ্দেশ বাতিল ■

## ধিঙৰ বিধায়ক আমিনুল ইছলামক এনএছএৰ পৰা মুক্তি



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৭ নৱেম্বৰ ঃ** প্ৰায় সাত মাহৰো অধিক কাল ধৰি ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ (NSA) অধীনত কাৰাৰুদ্ধ হৈ থকা ধিঙৰ এ আই ইউ ডি এফ বিধায়ক আমিনুল ইছলামৰ বাবে আজি বৃহৎ সকাহৰ খবৰ আহিল। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠে তেওঁৰ বিৰুদ্ধে জাৰি কৰা NSAৰ গোচৰ সম্পূৰ্ণৰূপে খাৰিজ কৰি তেওঁক তৎকালীনভাৱে ▸▸৬ পৃষ্ঠাত

## দুৰ্নীতিৰ দোষত পেৰুৰ প্ৰাক্তন ৰাষ্ট্ৰপতিক ১৪ বছৰৰ কাৰাদণ্ড



**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৭ নৱেম্বৰ ঃ** পেৰুৰ এখন আদালতে দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি মাৰ্টিন ভিজকাৰাক দুৰ্নীতিৰ গুৰুতৰ অভিযোগত ১৪ বছৰৰ কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰিছে। দক্ষিণাঞ্চলীয় মকেগুৱা প্ৰদেশৰ গৱৰ্ণৰ থকাৰ সময়ত (২০১১-২০১৪) চৰকাৰী নিৰ্মাণ প্ৰকল্পৰ বাবে ৬ লাখ ডলাৰৰো অধিক উৎকোচ গ্ৰহণ কৰাৰ অভিযোগত তেওঁক দোষী সাব্যস্ত কৰা হয়। কাৰাদণ্ডৰ উপৰিও ▸▸৬ পৃষ্ঠাত



## দুই কোটিৰো অধিক মৃত ব্যক্তিৰ আধাৰ নম্বৰ নিষ্ক্ৰিয়

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ নৱেম্বৰ ঃ** ভাৰতৰ আধাৰ ব্যৱস্থাক অধিক স্বচ্ছ, সঠিক আৰু সুৰক্ষিত কৰি ৰখাৰ এক মহৎ পদক্ষেপত ইউনিক আইডেণ্টিফিকেশ্যন অথৰিটি অব ইণ্ডিয়াই (ইউআইডিএআই) এতিয়ালৈকে দুকোটিৰো অধিক ▸▸৬ পৃষ্ঠাত

**গৌৰৱ গগৈৰ গুৰুতৰ অভিযোগ**

## ভোটাৰ তালিকাত বহিঃৰাজ্যৰ লোকক ভোটাধিকাৰ দিয়াৰ ষড়যন্ত্ৰ !




**নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ নৱেম্বৰ ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা লোকসভাৰ বিৰোধী দলৰ উপ-নেতা গৌৰৱ গগৈয়ে বৃহস্পতিবাৰে যোৰহাটত সংবাদমেলত বিজেপি চৰকাৰৰ ওপৰত একাধিক গুৰুতৰ অভিযোগ উত্থাপন কৰে। তেওঁ কয়, "বৰ্তমান কংগ্ৰেছৰ মূল লক্ষ্য হৈছে তৃণমূল পৰ্যায়ত ▸▸৬ পৃষ্ঠাত

## হাৰিয়ানাত বিজেপিৰ দলীয় কাৰ্যালয়ৰ পথ বহল কৰিবলৈ কাটিলে ৪০ জোপা প্ৰাচীন গছ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ নৱেম্বৰ ঃ** হাৰিয়ানাৰ কৰ্ণালত বিজেপিৰ নতুন দলীয় কাৰ্যালয়ৰ প্ৰৱেশ পথ বহল কৰিবলৈ প্ৰায় ৪০ ডাল প্ৰাচীন গছ কাটি পেলোৱাৰ ঘটনাই উচ্চতম ন্যায়ালয়ৰ খণ্ডপীঠৰ তীব্ৰ ক্ষোভৰ ▸▸৬ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে সামাজিক মাধ্যমত অপপ্ৰচাৰ ! গ্ৰেপ্তাৰ ৪জন কংগ্ৰেছ নেতা





### চাবুৱাৰ প্ৰাক্তন বিধায়ক ৰাজু চাহু, এপিচিচিৰ মুখপাত্ৰ উপেন ৰাজনাথকো গ্ৰেপ্তাৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক দুৰ্নীতিগ্ৰস্ত বুলি প্ৰতিপন্ন কৰিবলৈ কৃত্ৰিম বুদ্ধিমত্তা (AI)ৰ সহায়ত নিৰ্মিত এটা ভুৱা ভিডিঅ' সামাজিক মাধ্যমত প্ৰচাৰ কৰাৰ গোচৰত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগে (CID) চাৰিগৰাকী কংগ্ৰেছ নেতাক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ ▸▸৬ পৃষ্ঠাত

## জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলিৰ নামত পেড জালিয়াতি

### বিজেপিৰ পেড ব্যৱহাৰ কৰি গ্ৰেপ্তাৰ ৪, এজন পলাতক



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ নৱেম্বৰ ঃ** গায়ক জুবিন গাৰ্গৰ পিতৃৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি জনোৱাৰ নামত ভুৱা পেড ব্যৱহাৰ কৰি ধন সংগ্ৰহ কৰাৰ গোচৰত ভৱানীপুৰ আৰক্ষীয়ে চাৰিজন ▸▸৬ পৃষ্ঠাত

**সুৰাৰ পৰাই ৰাজকোষ ভৰোৱাৰ পথত অসম**

## ৯ বছৰত ২৭ হাজাৰ কোটিৰ ৰাজহ সংগ্ৰহ, ১৫২০খন অনুজ্ঞাপত্ৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৭ নৱেম্বৰ ঃ** ঋণৰ বোজাৰ তলত ডুবি থকা অসম চৰকাৰৰ বাবে এতিয়া আটাইতকৈ নিৰ্ভৰযোগ্য ৰাজহৰ উৎস হৈ পৰিছে সুৰা। বিধানসভাৰ চলিত অধিৱেশনতে আবকাৰী মন্ত্ৰী অতুল বৰাই প্ৰকাশ কৰা তথ্য অনুসৰি, ২০১৬ চনৰ পৰা এতিয়ালৈকে ৰাজ্যত ▸▸৬ পৃষ্ঠাত

## অৰুণোদয় আঁচনিৰ লাভাৰ্থীসকলৰ বাবে সঁকাহ

### প্ৰতিটো গেছ চিলিণ্ডাৰত ২৫০ টকা অতিৰিক্ত ৰেহাই ঘোষণা মুখ্যমন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৭ নৱেম্বৰ ঃ** অসম চৰকাৰে মহিলাসকলক আৰ্থিকভাৱে সবল কৰি তোলাৰ লক্ষ্যৰে আৰম্ভ কৰা 'অৰুণোদয় আঁচনি'ৰ লাভাৰ্থী পৰিয়ালসমূহৰ বাবে ▸▸৬ পৃষ্ঠাত




## মাজুলীত খহনীয়াৰ পৰা পৰিত্ৰাণ বিচাৰি ব্ৰহ্মপুত্ৰৰ শৰণাপন্ন সত্ৰাধিকাৰ-অসংখ্য ৰাইজ

### শালমৰাত বুমেৰাং শ শ কোটিৰ সুৰক্ষা আঁচনি ঃ খহিছে জীঅ' বেগ



**সনজিৎ কুমাৰ অভয়পুৰীয়া, উজনী মাজুলী, ২৭ নৱেম্বৰ ঃ** ১৯৫০ চনৰ ভূমিকম্পৰ পিছৰে পৰাই মাজুলীৰ বৃহত্তৰ শালমৰা মৌজাত আৰম্ভ হোৱা খহনীয়াই অঞ্চলটোক মাজুলীৰ মানচিত্ৰত ▸▸৬ পৃষ্ঠাত

## অসমৰ ৪০৬খন উচ্চ মাঃ বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে ঃ শিক্ষামন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ, দিছপুৰ, ২৭ নৱেম্বৰ ঃ** অসমৰ ৪০৬খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে আৰু বৰ্তমান এনে বিদ্যালয়সমূহত মুঠ ২৩ হাজাৰ ১৫৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছে। অসম বিধানসভাত আজি বিধায়ক তেৰছ গোৱালাৰ এটা প্ৰশ্নৰ লিখিত উত্তৰত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই তথ্য ▸▸৬ পৃষ্ঠাত

**২ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া ৰ'দৰ বৰ্ষপূৰ্তি অনুষ্ঠান অহা ১৪ ডিচেম্বৰত অনুষ্ঠিত হ'ব**

# ৰ'দ আৰু ৰ'দ গোষ্ঠীৰ সংবাদমেল

**অসম বাৰ্তা, নদুৱাৰ, ২৭ নৱেম্বৰ ঃ** তিনিমহীয়া আলোচনী ৰ'দ আৰু ৰ'দ গোষ্ঠীৰ উদ্যোগত ২৩ নৱেম্বৰ ২০২৫ তাৰিখে সন্ধ্যা ৫ বজাত ৰ'দৰ পঞ্চম বৰ্ষপূৰ্তি অনুষ্ঠানৰ প্ৰসংগত এখন সংবাদমেল অনুষ্ঠিত হয়। উক্ত সংবাদমেলত ৰ'দ গোষ্ঠীৰ স্থায়ী সভাপতি নিৰঞ্জন হাজৰিকা, কাৰ্যকৰী সভাপতি টেজেন হাজৰিকা, উপদেষ্টা দিলীপ কুমাৰ বৰুৱা, উপ-সভাপতি তৃপ্তি ৰেখা দাস, প্ৰচাৰ সম্পাদক পূৰ্বালী শইকীয়া আৰু আন এগৰাকী প্ৰচাৰ সম্পাদক দুলাল বৰা উপস্থিত থাকে। শাৰীৰিক অসুস্থতা আৰু নিজৰ আত্মীয় বিয়োগ হোৱাত সম্পাদক জয়ন্ত বৰুৱা সংবাদমেলত উপস্থিত থাকিব নোৱাৰিলে। উক্ত সংবাদমেলত অহা ২ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া ৰ'দৰ পঞ্চম বৰ্ষপূৰ্তি অনুষ্ঠান সম্পাদক জয়ন্ত বৰুৱাৰ খুৰাকৰ বিয়োগ হোৱাৰ বাবে অহা ১৪ ডিচেম্বৰত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি কাৰ্যকৰী সভাপতি টেজেন হাজৰিকাই প্ৰকাশ কৰে। লগতে তেওঁ কয়- সম্পাদক জয়ন্ত বৰুৱাই ৰ'দৰ মাজেদি অসমৰ কবি-সাহিত্যিকসকলক সাহিত্য চৰ্চাৰ বাবে এখন মঞ্চ দিছে লগতে ৰ'দ প্ৰকাশনৰ নামত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় ২৫০ খনৰো অধিক গ্ৰন্থ প্ৰকাশ কৰি বিশ্বনাথ চাৰিআলিত উন্মোচন কৰিছে। সভাপতি নিৰঞ্জন হাজৰিকাই ৰ'দৰ পঞ্চম বৰ্ষপূৰ্তি অনুষ্ঠানত প্ৰদান কৰিব লগীয়া বঁটাৰ সম্পৰ্কে ঘোষণা কৰি সংবাদমেলত কয়- "ৰ'দৰ গদ্যৰত্ন বঁটা-২০২৫" বাবে নিৰ্বাচন কৰা হৈছে বিশিষ্ট সাহিত্যিক ইছমাইল হুছেইনক, "ৰ'দৰ কাব্যৰত্ন বঁটা-২০২৫" বাবে নিৰ্বাচন কৰা হৈছে বিশিষ্ট কবি জীৱন নৰহক, বিশিষ্ট কবি-সাহিত্যিক প্ৰদীপ কুমাৰ শৰ্মাৰ "শিলত কটা মানুহ" শীৰ্ষক কাব্যগ্ৰন্থলৈ আগবঢ়োৱা হ'ব "ৰ'দৰ কাব্যশ্ৰী বঁটা-২০২৫", বিশিষ্ট কবি ডাঃ নৰেন কুটুমৰ "ভালপোৱাৰ কথোপকথন" শীৰ্ষক কাব্যগ্ৰন্থলৈ আগবঢ়োৱা হ'ব "ৰ'দৰ কাব্যজ্যোতি বঁটা-২০২৫", "ৰ'দৰ হিতৈষী বঁটা-২০২৫"ৰ বাবে বিবেচনা কৰা হৈছে বিশ্বনাথ বিধান সভা সমষ্টিৰ বিধায়ক শ্ৰীযুত প্ৰমোদ বৰঠাকুৰ আৰু বিশ্বনাথৰ প্ৰাক্তন পৌৰপতি তথা বিশিষ্ট সমাজকৰ্মী দিলীপ কুমাৰ বৰুৱাক আৰু "ৰ'দৰ সংবাদসেৱী বঁটা-২০২৫"ৰ বাবে নিৰ্বাচন কৰা হৈছে পংকজ বৰুৱা আৰু শ্ৰীযুত হেমন্ত শইকীয়াক। লগতে তেওঁ কয়- আন কেইবাগৰাকীও সন্মানীয় কবি-সাহিত্যিকলৈ আগবঢ়োৱা হ'ব "ৰ'দৰ সাহিত্য সৌৰভ বঁটা-২০২৫", "ৰ'দৰ সাহিত্য প্ৰেৰণা বঁটা-২০২৫" আৰু "ৰ'দৰ কাব্য প্ৰেৰণা বঁটা-২০২৫"। উক্ত সংবাদমেলত ৰ'দ গোষ্ঠীৰ উপদেষ্টা দিলীপ কুমাৰ বৰুৱাই কয়- ২০১৩ চনত জয়ন্ত বৰুৱাই একক প্ৰচেষ্টাৰে প্ৰকাশ কৰা 'ৰ'দ' আলোচনীখনে বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে আজিও প্ৰকাশ কৰি আহিছে আৰু সকলোৰে সহযোগিতাত অদুৰ ভৱিষ্যতেও প্ৰকাশ হৈ থাকিব। উপ-সভানেত্ৰী তৃপ্তিৰেখা দাসেও জয়ন্ত বৰুৱাৰ একক প্ৰচেষ্টাক শলাগ লয় আৰু ৰ'দৰ পঞ্চম বৰ্ষপূৰ্তি অনুষ্ঠানত সকলোৰে সহযোগিতা কামনা কৰে। প্ৰচাৰ সম্পাদিকা পূবালী শইকীয়াই জয়ন্ত বৰুৱাৰ একক প্ৰচেষ্টাত প্ৰকাশ হৈ থকা ৰ'দক আগুৱাই নিবলৈ সকলোকে আহ্বান জনোৱাৰ লগতে ৰ'দ গোষ্ঠীৰ স্থায়ী সভাপতি হিচাপে বিশিষ্ট সমাজকৰ্মী আৰু সাংবাদিক নিৰঞ্জন হাজৰিকাক নিৰ্বাচন কৰা হয় বুলি সংবাদমেলত ঘোষণা কৰে।

# তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত চিকিৎসকৰ লগতে চিকিৎসাৰ সা-সুবিধাৰ অভাৱ



**অসম বাৰ্তা, মাকুম, ২৭ নৱেম্বৰ ঃ** বহু প্ৰতীক্ষাৰ অন্তত ২০২৪ চনৰ ৯ মাৰ্চ তাৰিখে আৰম্ভ কৰা হয় মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় খন। চিকিৎসা মহাবিদ্যালয় খনৰ আৰম্ভণিতে ৰাইজে সেৱা ভাল ধৰণেৰে লাভ কৰিছিল, কিন্তু দুৰ্ভাগ্যজনক বিষয় যে আৰম্ভ হোৱা কেইমাহমান পাছৰ পৰাই লাহে লাহে চিকিৎসালয়খনত চিকিৎসকৰ সংখ্যা কমিবলৈ ধৰিলে। ইয়াৰোপৰি চিকিৎসাৰ বাবে কিছুমান মূল মূল যন্ত্ৰপাতি চিকিৎসা মহাবিদ্যালয় খনত অভাৱ হৈছে। চিকিৎসকৰ অভাৱৰ লগতে বিভিন্ন ৰোগৰ ক্ষেত্ৰত চিকিৎসা কৰোৱাৰ সুবিধা উপলব্ধ নথকাত ৰোগী সকলে ইখন চিকিৎসালয়ৰ পৰা সিখন চিকিৎসালয়লৈ অহা যোৱা কৰিব লগা হোৱাৰ ফলত ৰোগী সকলে অধিক অৰ্থ ব্যয় কৰিব লগা হয়। যোৱা মঙ্গলবাৰে শুকানপুখুৰীত ৰাজ্য জোকাৰি যোৱা এম্বুলেন্স আৰু নৈশ বাছৰ ভয়ংকৰ পথ দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত যাত্ৰীসকলক ততাতৈয়াকৈ মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয় যদিও উপযুক্ত চিকিৎসা ব্যৱস্থা নথকাৰ বাবে তেওঁলোকক অন্য চিকিৎসালয়লৈ প্ৰেৰণ কৰিব লগা হোৱা বিষয় টোৱে চিকিৎসা মহাবিদ্যালয় খনত অভাৱ অভিযোগ থকাৰ বিষয়টো অধিক পোহৰলৈ আহে। তদুপৰি ভুক্তভোগী কেইবাগৰাকী ৰোগীয়ে চিকিৎসালয়খনত সকলো ব্যৱস্থা নথকাৰ ফলত চিকিৎসালয়খনৰ পৰা চিকিৎসা কৰি আহি ৰোগৰ পৰীক্ষা কৰিবলৈ বেলেগ চিকিৎসালয়লৈ যাবলৈ চিকিৎসকে পৰামৰ্শ দিয়াৰ কথা সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে। ইপিনে এনে অভাৱনীয় বিষয়টোৰ সন্দৰ্ভত সংবাদ মাধ্যমৰ জৰিয়তে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে তিনিচুকীয়া আৰু মাকুম আঞ্চলিক ছাত্ৰ সন্থাই। চিকিৎসা মহাবিদ্যালয়খনত সকলোধৰণৰ চিকিৎসা সেৱা আগবঢ়াব পৰাকৈ অতিশীঘ্ৰে প্ৰয়োজনীয় ব্যৱস্থাসমূহ গঢ়ি তুলিবলৈ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক দাবী জনাই সংগঠনটোৰ লগতে স্থানীয় ৰাইজে।

# শিৱসাগৰৰ নামতিত তিনিটা কুখ্যাত ড্ৰাগ্‌ছ সৰবৰাহকাৰী আটক



**অসম বাৰ্তা, নামতি, ২৭ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ নামতি চাৰিআলিত বুধবাৰে নিশা আৰক্ষীয়ে গোপন সূত্ৰৰ পমখেদি তিনিটা ড্ৰাগ্‌ছ সৰবৰাহকাৰীসহ হেৰ'ইন জব্দ কৰে। নাজিৰা সম-জিলাৰ আৰক্ষী অধীক্ষক তুষাৰ দেশাইৰ সবল নেতৃত্বত নাজিৰা আৰু নামতি আৰক্ষীৰ সহযোগত আমগুৰি দিশৰ পৰা আহি থকা এখন "টয়টা গ্লেঞ্জা" চাৰিচকীয়া বাহনত নামতি চাৰিআলিত তালাচী চলোৱাত ধৰা পৰে বৃহৎ পৰিমাণৰ হেৰ'ইন সহ তিনিটা ড্ৰাগ্‌ছ সৰবৰাহকাৰী। আৰক্ষীয়ে জব্দ কৰা বাহনখনৰ নম্বৰ হৈছে এ এছ ০৩ এ কে ২৯৪২। "টয়টা গ্লেঞ্জা" বাহনখনৰ গোপন স্থানত লুকুৱাই আনিছিল ১৯টা কণ্টেনাৰত হেৰ'ইনখিনি। চাৰিচকীয়া বাহন খনত সন্দেহজনক হেৰ'ইন কঢ়িয়াই অনা তিনিজন যুৱক ক্ৰমে, সন্দীপ সিং, ৰবিন্দ্ৰ সিং আৰু অমৃত কৰ্মকাৰক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে যুৱক কেইজনৰ পৰা নগদ ধন আৰু তিনিটাকৈ মোবাইল জব্দ কৰে।

# বকোৰ শিক্ষক বলেন চন্দ্ৰ দাসক বিশ্ব সাংস্কৃতিক আৰু পৰিবেশ সংৰক্ষণ আয়োগৰ ডক্টৰেট উপাধি প্ৰদান

**অসম বাৰ্তা, বকো, ২৭ নৱেম্বৰ ঃ** ভাৰতৰ চৰকাৰে অনুমতি প্ৰদান কৰা বিশ্ব সাংস্কৃতিক আৰু পৰিবেশ সংৰক্ষণ আয়োগ চমুকৈ ডব্লিউ চি ই পি চিয়ে যোৱা ৯ নৱেম্বৰ তাৰিখে কামৰূপ জিলাৰ বকো মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক বলেন চন্দ্ৰ দাসক ডক্টৰেট উপাধি প্ৰদান কৰে। উল্লেখ্য যে; নতুন দিল্লীত অৱস্থিত এই আন্তৰ্জাতিক সংগঠনটোৱে সমাজ জীৱনত শিক্ষা, সাহিত্য, সমাজ সেৱা, পৰিবেশ সজাগতা বৃদ্ধি কৰা বাবে ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে বলেন চন্দ্ৰ দাসক। লগতে দাসক আন্তৰ্জাতিক সংগঠনটোৰ সদস্য হিচাপে মনোনীত কৰে। প্ৰকাশ যে; কামৰূপ জিলাৰ বকো শিক্ষা খণ্ডৰ অন্তৰ্গত বকো মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক বলেন চন্দ্ৰ দাসে এই সন্মান লাভ কৰি শিক্ষা খণ্ডটোলৈ আনন্দৰ জোৱাৰ আনিছে। তেখেতে ছয়গাঁও নোৱাপাৰা গাঁৱৰ খেতিয়ক কমলা কান্ত দাস আৰু মাতৃ প্ৰয়াত ভাগ্যৱতী দাসৰ জেষ্ঠ পুত্ৰ। বিগত ১৯৯৯ চনত শিক্ষকতা আৰম্ভ কৰি অবিৰত ভাৱে শৈক্ষিক সেৱা, সাহিত্য আৰু সামাজিক কামত জড়িত হৈ ২৬ বছৰ কাল অতিবাহিত হোৱাৰ পিছত এই সন্মান লাভ কৰা অসমৰ অন্যতম ব্যক্তি হিচাপে পৰিগণিত হৈছে। যোৱা ২০২৪ চনত কামৰূপ জিলা শিক্ষা বিভাগৰ পৰা ৰাজ্যিক শিক্ষক বঁটা বাবে মনোনীত হৈছিল যদিও কোনো গুৰুত্ব নাপালে। ২০২৫ চনত কেন্দ্ৰীয় চৰকাৰৰ শিক্ষক বঁটাৰ বাবে মনোনয়ন লাভ কৰিছিল। ইফালে যোৱা ৯ জুন তাৰিখে গোলাঘাট জিলাৰ ৰ'দালি প্ৰকাশনৰ উদ্যোগত কবি হিচাপে সম্বোধন জনোৱা হয় দাসক। ইয়াৰ উপৰিও তৃতীয় কবিতা সংকলন প্ৰেৰণা প্ৰকাশ পাইছে। বৰ্তমান চৰকাৰে প্ৰধান শিক্ষক সকলৰ স্থায়ী ভাৱে নিযুক্তি নিদিয়াত দুখ প্ৰকাশ কৰে ডক্টৰেট উপাধি লাভ কৰা বলেন চন্দ্ৰ দাসে। বৰ্তমান জিলা মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ উপ সভাপতি হিচাপে দায়িত্বভাৰ পালন কৰি অহাৰ উপৰিও বকো মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ সভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰি আছে।

## নগাঁও আৱকাৰী বিভাগৰ অভিযান

**অসম বাৰ্তা, বঢ়মপুৰ, ২৭ নৱেম্বৰ ঃ** নগাঁৱৰ আৱকাৰী পৰিদৰ্শক চন্দ্ৰ কুমাৰ বৰুৱাৰ নেতৃত্বত যোৱা এটি দলে নগাঁৱৰ সমীপৰ বৰভেটি, কাছমাৰী, শেনচোৱা, বেবেজীয়া, আদি অঞ্চলত আজি আবকাৰী বিভাগে অৰ্তকিতে অভিযান চলাই। অভিযান কালত ১৭০০ লিটাৰ চুলাই মদ বনোবা সামগ্ৰী, দহটা মদ বনোবাৰ যন্ত্ৰ, ১২০লিটাৰ চুলাই মদ জব্দ কৰি নষ্ট কৰে। এই সংক্ৰান্তত দুগৰাকী মহিলাক আটক কৰি গোচৰ ৰুজু কৰিছে।

# মিচিং স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত দুলুং সংৰক্ষিত বনাঞ্চলক কেন্দ্ৰ কৰি সজাগতামূলক সভা




**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২৭ নৱেম্বৰ ঃ** আজি লখিমপুৰ জিলাৰ কণানদী উচ্চ মাধ্যমিক বিদ্যালয় আৰু ওখমাটি নাহৰণি, দুলুং বন গাঁৱত দুখনকৈ সজাগতা সভা অনুষ্ঠিত হয়। চিয়া নাহৰৰ বাবে এছিয়া বিখ্যাত দুলুং সংৰক্ষিত বনাঞ্চলক কেন্দ্ৰ কৰি এই সজাগতা সভা অনুষ্ঠিত হয়। মিচিং স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত আৰু বৃহত্তৰ বগীনদীবাসী ৰাইজৰ সহযোগত অহা ১১ ডিচেম্বৰৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে ওখমাটি নাহৰণি, দুলুং বন গাঁৱৰ সমীপত অনুষ্ঠিত হ'বলগীয়া দুলুং সোৱণশিৰি প্ৰকৃতি মহোৎসৱ ২০২৫ৰ লগত সংগতি ৰাখি এই সজাগতা সভা অনুষ্ঠিত হয়। এম এ চিৰ উদ্যোগত আৰু মহোৎসৱ উদযাপন সমিতিৰ সহযোগত কণানদী উচ্চ মাধ্যমিক বিদ্যালয় আৰু মহোৎসৱ স্থলীত অনুষ্ঠিত সজাগতা সভাত প্ৰকৃতিপ্ৰেমী তথা নেছাৰছ্ বেকনৰ প্ৰতিষ্ঠাপক সৌম্যদ্বীপ দত্ত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰে। দুলুং বনাঞ্চল সংৰক্ষণত নতুন প্ৰজন্মৰ ভূমিকা, দুলুং আৰু সোৱণশিৰিৰ জৈৱ বৈচিত্ৰ্য, চিয়া নাহৰ সংৰক্ষণ তথা ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰত গ্ৰহণ কৰিবলগীয়া দায়িত্ব আৰু দুলুং সংৰক্ষিত বনাঞ্চলক পৰ্যটন ক্ষেত্ৰলৈ ৰূপান্তৰৰ ক্ষেত্ৰত ল'বলগীয়া ভূমিকা শীৰ্ষক বিষয়বস্তুৰ লগত সংগতি ৰাখি মুখ্য বক্তা গৰাকীয়ে তত্ত্বগধুৰ বক্তব্য দাঙি ধৰে। সজাগতা সভাত এম এ চিৰ কাৰ্যবাহী সদস্য তথা দুলুং সোৱণশিৰি প্ৰকৃতি মহোৎসৱ ২০২৫ উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি অনিল পায়েং, উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক বুলটন বৰা, পথালিপাম বনখণ্ডৰ খণ্ড বন বিষয়া আব্দুল মটিন, জাৰ্ণেলিষ্ট এছ'চিয়েছন ফ'ৰ আছাম চমুকৈ জাফাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক কুশল শইকীয়া, দুলুং সোৱণশিৰি কঞ্জাৰভেছন ছ'চাইটিৰ সাধাৰণ সম্পাদক মজিন সোণোৱাল, নেছাৰছ্ বেকনৰ সমন্বয়ক যুগল সন্দিকৈ, দুলুং সোৱণশিৰি প্ৰকৃতি মহোৎসৱ ২০২৫ উদ্‌যাপন সমিতিৰ সম্পাদক ৰাজু চুতীয়াকে আদি কৰি কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে।

**মেৰাপানীৰ এজন কৰ্মউদ্যোমী লোকে পাঁচবছৰ ধৰি ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠা কৰি চলাই থকাৰ পিচতো বঞ্চিত চৰকাৰী সাহায্যৰ পৰা**

# ৰাজ্যৰ কৃষি ভিত্তিক উদ্যোগৰ ক্ষেত্ৰত চৰকাৰৰ অনিহা

**অসম বাৰ্তা, মেৰাপানী, ২৭ নৱেম্বৰ ঃ** ৰাজ্য চৰকাৰে ৰাজ্য খনৰ ক্ষুদ্ৰ উদ্যোগ বিকাশৰ বাবে কেতবোৰ আঁচনি গ্ৰহণ কৰিছে যদিও কাৰ্যত কিছু কিছু ক্ষেত্ৰত উদ্যোগ বিকাশৰ ক্ষেত্ৰত হেমাহি কৰা পৰিলক্ষিত হৈছে। ৰাজ্যৰ গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰাৰ উদ্দেশ্যে গোলাঘাট জিলাৰ মেৰাপানীৰ এজন কৰ্মউদ্যোমী লোকে নিজ ঘৰতে গঢ়ি তুলিছে কৃষিভিত্তিক ক্ষুদ্ৰ উদ্যোগ। স্থানীয় তামোলেৰে চুপাৰি প্ৰস্তুত কৰি নিজৰ লগতে আন একাংশ লোকৰ বাবে সংস্থাপনৰ বাট মুকলি কৰিছে এইজন কৰ্মউদ্যোমী লোকে। বিগত পাঁচটা বছৰে অশেষ কষ্ট আৰু পৰিশ্ৰমৰ ফলত দিলীপ বড়ো নামৰ ব্যক্তি গৰাকীয়ে নিজৰ ঘৰতে গঢ় দিবলৈ সক্ষম হৈছে চুপাৰি প্ৰস্তুত কৰা এই ক্ষুদ্ৰ উদ্যোগ। মেৰাপানীৰে চিচুপানী অঞ্চলৰ হিড়িম্বাপুৰ গাঁৱৰ দিলীপ বড়োৱে স্থাপন কৰা ক্ষুদ্ৰ উদ্যোগটোত বৰ্তমান সময়ত স্থানীয় অঞ্চলটোৰ প্ৰায় শতাধিক পুৰুষ - মহিলাই কৰ্মসংস্থাপন লাভ কৰিছে। তদুপৰি ক্ষুদ্ৰ উদ্যোগটোৰ বাবেই স্থানীয় তামোলৰ কৃষক সকলে যথোচিত বজাৰ মুল্য লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে নিজৰ উদ্যোগত প্ৰস্তুত কৰা চুপাৰি সমূহ দিলীপ বড়োৱে ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিক্ৰী কৰি আহিছে। ইতিমধ্যে বড়োৱে বিশ লক্ষাধিক নিজা ধন বিনিয়োগ কৰাৰ পাছতো সাম্প্ৰতিক সময়ত উদ্যোগটো নিয়াৰিকৈ চলাই যাবলৈ কেইবাটাও অত্যাধুনিক যন্ত্ৰৰ প্ৰয়োজন আৰু পৰ্য্যাপ্ত ধনৰ অভাৱৰ বাবেই প্ৰয়োজনীয় যন্ত্ৰপাতি সমূহ ক্ৰয় কৰিব নোৱাৰা বুলি সাংবাদিকক জানিবলৈ দিয়ে। ইফালে উক্ত ক্ষুদ্ৰ উদ্যোগটোৰ যাবতীয় সকলো নথিপত্ৰ যোগাৰ কৰি বড়োৱে অসম চৰকাৰৰ বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু তদানীন্তন বি টি চি প্ৰধান প্ৰমোদ বড়োক ৰাজ সাহায্যৰ বাবে আবেদন দাখিল কৰিছিল। বড়োৱে জানিবলৈ দিয়া মতে অসম চৰকাৰৰ বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু প্ৰমোদ বড়ো দুয়োজনে উক্ত ক্ষুদ্ৰ উদ্যোগটো ক্ষেত্ৰ ভিত্তিক পৰিদৰ্শন কৰে আৰু ৰাজ সাহায্যৰ আশ্বাস প্ৰদান কৰিছিল। কিন্তু আজি পৰ্য্যন্ত বড়োৱে কোনো চৰকাৰী সাহায্য লাভ নকৰিলে। ক্ষুদ্ৰ উদ্যোগ বিকাশৰ বাবে চৰকাৰৰ সহযোগিতাৰ বিপৰীতে অনিহা প্ৰদৰ্শন কৰাহে দেখিবলৈ পোৱা গৈছে। সেয়েহে অসমৰ মুখ্যমন্ত্ৰী, বিত্তমন্ত্ৰী আৰু উদ্যোগ মন্ত্ৰীক ৰাজ্যৰ ক্ষুদ্ৰ উদ্যোগ সমূহৰ বিকাশৰ বাবে এক আঁচনি গ্ৰহণ কৰাৰ লগতে বড়োৰ এই কৃষিভিত্তিক উদ্যোগটো আগবঢ়াই নিবলৈ চৰকাৰৰ তৰফৰ পৰা এক ৰাজসাহায্য প্ৰদান কৰিবলৈ দিলীপ বড়োৰ লগতে স্থানীয় ৰাইজে আহ্বান জনাইছে।

# বিজনী পৌৰসভাৰ সভাপতি হিচাবে ধীৰাজ বৰগয়াৰীৰ শপত গ্ৰহণ



**অসমবাৰ্তা, বিজনী, ২৭ নৱেম্বৰ ঃ** চিৰাং জিলাৰ ইতিহাস প্ৰসিদ্ধ বিজনী পৌৰসভাৰ আজি ১১ তম শপত গ্ৰহণ অনুষ্ঠান হৈ যায়। বিটিচিৰ কাৰ্যবাহী সদস্য তথা বিজনীৰ সুবাইঝাৰ সমষ্টিৰ পাৰিষদ ধীৰাজ বৰগয়াৰীয়ে বিজনী পৌৰসভাৰ সভাপতি হিচাবে শপত গ্ৰহণ কৰে। বিজনীৰ শংকৰদেৱ শিশু উদ্যান চৌহদত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত চিৰাং জিলাৰ অতিৰিক্ত আয়ুক্ত ৰাজীৱ কুমাৰ দাসে কৰোৱা শপত বাক্য পাঠ কৰে নৱ নিযুক্তিপ্ৰাপ্ত সভাপতি ধীৰাজ বৰগয়াৰী, উপ-সভাপতি প্ৰসন্ন মুখাৰ্জীসহ দহ গৰাকী ৱাৰ্ড কমিছনাৰে। উক্ত অনুষ্ঠানত বিটিচিৰ নগৰ উন্নয়ন বিভাগৰ কাৰ্যবাহী সদস্য মুনমুন ব্ৰহ্ম মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিজনী চহৰৰ সামগ্ৰীক বিকাশৰ লগতে বিজনীত এখন শিশু উদ্যান নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰে। উল্লেখ্য ১৯৭১ চনত স্থাপন হোৱা বিজনী পৌৰসভাৰ আজি ১১ তম বৰ্ডৰ শপত গ্ৰহণ অনুষ্ঠানত কাৰ্যবাহী সদস্য মুনমুন ব্ৰহ্মৰ লগতে থুৰিবাৰী সমষ্টিৰ পাৰিষদ খলিলুৰ ৰহমান, চিৰাঙৰ অতিৰিক্ত আয়ুক্ত ৰাজীৱ কুমাৰ দাস, বিটিচিৰ নগৰ উন্নয়ন বিভাগৰ সঞ্চালক লংকেশ্বৰ ওৱাৰী, বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বীৰহাসগিৰী বসুমাতাৰী, বিজনীৰ মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি দত্ত, বিশিষ্ট সমাজকৰ্মী ড° সুবীৰ কুমাৰ দাশ, বিজনী জিলা বিপিএফৰ সভাপতি ৰবিৰাম খাকলাৰী, সম্পাদক প্ৰদীপ ব্ৰহ্মসহ কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিজনী পৌৰসভাৰ সভাপতি হিচাবে দায়িত্ব গ্ৰহণ কৰিয়ে বিজনী চহৰৰ মাজ মজিয়াত থকা শ্মশান আটক-ধুনীয়াকৈ সজাই তোলাৰ পোষকতা কৰে নৱ নিযুক্ত সভাপতি তথা সবাইঝাৰ সমষ্টিৰ পাৰিষদ ধীৰাজ বৰগয়াৰীয়ে।

# খটৰা সত্ৰৰ পুথিভঁৰাললৈ মঙলদৈৰ বিদুষী মহিলা ৰাণু দত্ত গোস্বামীৰ অৰ্ধশতাধিক গ্ৰন্থ প্ৰদান

**অসম বাৰ্তা, পাথৰিঘাট, ২৭ নৱেম্বৰ ঃ** দৰঙৰ ঐতিহ্যপূৰ্ন খটৰা সত্ৰৰ প্ৰাচীন পুথিভঁৰালটিলৈ আজি মঙলদৈৰ অৱসৰী শিক্ষয়িত্ৰী ৰাণু দত্ত গোস্মামীয়ে নিজৰ গাঁঠিৰ ধন ব্যয় কৰি ক্ৰয় কৰা বাসত্তৰখন গ্ৰন্থ প্ৰদান কৰে। উল্লেখযোগ্য যে মহাপুৰুষ শংকৰদেৱৰ প্ৰপন্ন শিষ্য মহাপুৰুষ মাধৱদেৱৰ আজ্ঞাপৰ লেচাকণীয়া গোবিন্দ আতাই ১৫৬৮ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা কৰা খটৰা সত্ৰৰ প্ৰাচীন পুথভৰাঁলটিলৈ সমৃদ্ধকৰণৰ বাবে গ্ৰন্থ বিচাৰি জনোৱা আহ্বানৰ বাতৰি সংবাদমাধ্যম যোগে প্ৰকাশ পোৱাৰ পাছতেই ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ পৰা গ্ৰন্থানুৰাগী লোকে গ্ৰন্থ প্ৰদান কৰিছিল। কালিও এইগৰাকী বিদুষী মহিলাই বাসত্তৰখন বাচকবনীয়া গ্ৰন্থ প্ৰদান কৰে। এই লৈ দাতা ৰাণু দত্ত গোস্বামীয়ে আশা প্ৰকাশ কৰে যে সত্ৰৰ পুথিভঁৰালটিলৈ চৈয়দ আব্দুল মালিকৰ পৰা হোমেন বৰগোহাঞিঃ; ভবেন্দ্ৰনাথ শইকীয়া; ৰীতা চৌধুৰী; লক্ষ্মীনন্দন বৰা; মহিম বৰা; ফটিক দত্তগোস্বামীৰ দৰে ভিন্ন লেখকৰ দুৰ্মূল্য কিছু গ্ৰন্থ দান কৰিব পাই নিজকে সৌভাগ্য অনুভৱ কৰাৰ লগতে সত্ৰ খনৰ এনে প্ৰচেষ্টাই তীৰ্থযাত্ৰী-দৰ্শনাৰ্থীসকলৰ বৌদ্ধিক জিজ্ঞাসা পূৰণ কৰাত নিশ্চয়কৈ সহায়ক হ'ব। খটৰাসত্ৰ পৰিচালনা সমিতিৰ সম্পাদক গংগাৰাম বৈশ্যই দাতাক ধন্যবাদ জনাই চমু বক্তব্য প্ৰদান কৰে। পুথিভঁৰালৰ তত্ত্বাৱধায়ক তথা সাহিত্য শাখাৰ সম্পাদক কমলাকান্ত ডেকাই গ্ৰন্থনুৰাগী ৰাণু দত্ত গোস্বামীক শলাগ জ্ঞাপন কৰি দাত্ৰীৰ এই প্ৰয়াসে তীৰ্থঠযাত্ৰীৰ বৌদ্ধিক জিজ্ঞাসা নীৰসনত এই গ্ৰন্থ সম্ভাৰে বিশেষভাৱে সহায়ক হব।

# বাইহাটা চাৰিআলিত পথ সুৰক্ষা আৰু ধপাত বিৰোধী সজাগতা সভা

**অসম বাৰ্তা, কমলপুৰ, ২৭ নৱেম্বৰ ঃ** কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত বাইহাটা চাৰিআলিত পথ সুৰক্ষা আৰু ধপাত বিৰোধী সজাগতা সভা অনুষ্ঠিত কৰা হয়। কামৰূপ জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰৰ সভাপতিত্বত আয়োজিত এই সভাত সমল ব্যক্তিৰূপে উপস্থিত থকা অঞ্জন চৌধুৰীয়ে সভাখন আয়োজনত সহযোগিতা কৰা ৰামানুজন একাডেমীৰ শিক্ষাৰ্থীসকলৰ উদ্দেশ্যি পথ সুৰক্ষা প্ৰতি গুৰুত্ব আৰু ধপাত কু প্ৰভাৱ সম্পৰ্কে সৰলতাৰে ৰসিকভাৱে বুজাই কয়। এই সভাত কামৰূপ জিলা আৰক্ষী অধীক্ষক সঞ্জীৱ শইকীয়া, জিলা পৰিবহণ বিষয়া মনোজ চৌধুৰীকে ধৰি জিলা প্ৰশাসনৰ বিষয়াসকলৰ লগতেই শৈক্ষিক অনুষ্ঠানখনৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া তথা শিক্ষক-কৰ্মচাৰী উপস্থিত থাকে। এই সভাৰ লগত সংগতি ৰাখি ৰামানুজন একাডেমীৰ শিক্ষাৰ্থীসকলদ্বাৰা এখন বাটৰ নাটো প্ৰদৰ্শন কৰা হয়।

# মাজুলীত প্ৰাদেশিকৃত অৱসৰী আৰু কৰ্মৰত শিক্ষক-কৰ্মচাৰীৰ অৱস্থান ধৰ্মঘট

**অসম বাৰ্তা, মাজুলী, ২৭ নৱেম্বৰ ঃ** অসম চৰকাৰে ২০১৩ চনত প্ৰদেশিকৃত কৰা বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা আৰু বৰ্তমান কৰ্মৰত শিক্ষক- কৰ্মচাৰী সকলে আজি মাজুলী জিলা সদৰ গড়মূৰত তেখেত সকলৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ দাবীত পালন কৰে দুই ঘন্টীয়া অৱস্থান ধৰ্মঘট। অসম হাই স্কুল অৱসৰপ্ৰাপ্ত শিক্ষক -কৰ্মচাৰী সংস্থা, মধ্য ইংৰাজী বিদ্যালয়, সদৌ অসম প্ৰাথমিক অৱসৰপ্ৰাপ্ত শিক্ষক -কৰ্মচাৰী সংস্থাৰ আহ্বানত ২০০৫ চনত কৰ্মত যোগদান কৰা, ২০১৩ চনত নিয়ময়াকৰণ কৰা অৱসৰপ্ৰাপ্ত শিক্ষক কৰ্মচাৰী সকলৰ পেঞ্চনৰ দাবীত আজি প্ৰতিবাদী ধৰ্মঘট কাৰ্যসূচী পালন কৰে শিক্ষা গুৰু সকলে। তেখেত সকলে দাবী কৰি অহা মতে, ২০১৩ চনত প্ৰাদেশিকৃত অৱসৰপ্ৰাপ্ত শিক্ষক আৰু কৰ্মচাৰী সকলৰ মূল দৰমহাৰ পঞ্চাশ শতাংশ পেঞ্চন দিয়াৰ ব্যৱস্থা কৰা, ২০২১ চনৰে ৫ ফেব্ৰুৱাৰীত সৰু সজাইত শিক্ষক নিযুক্তি সমাৰোহত তেতিয়াৰ শিক্ষা মন্ত্ৰী আৰু বিত্ত মন্ত্ৰী বৰ্তমানৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এমাহ দৰমহা লাভ কৰি অৱসৰ গ্ৰহণ কৰিলেও ১০ লাখ গ্ৰেটুইটি প্ৰদান ঘোষণা কৰা, অৱসৰ গ্ৰহণৰ পাছত মৃত ব্যক্তিৰ পৰিয়ালৰ নিকট আত্মীয়ক পেঞ্চন আৰু গ্ৰেটুইটি প্ৰদান কৰা, অৱসৰ প্ৰাপ্ত শিক্ষক কৰ্মচাৰী সকলক বিনামূলীয়া চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰা আদি মূল দাবীৰে প্ৰতিবাদ সাব্যস্ত কৰে। মাজুলী জিলা অৱসৰপ্ৰাপ্ত আৰু কৰ্মৰত শিক্ষক কৰ্মচাৰী সকলৰ সমন্বয় সমিতিৰ সম্পাদক সঞ্জীৱ দত্ত আৰু সভাপতি ভবানন্দ বৰাৰ স্বাক্ষৰ সম্বিলিত এখন স্মাৰক পত্ৰও অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণৰ বাবে মাজুলীৰ আয়ুক্তৰ হৈ পাতিবাদ থলীত উপস্থিত হোৱা এগৰাকী সহকাৰী আয়ুক্তৰ হাতত অৰ্পণ কৰে। আয়ুক্ত গৰাকীয়ে স্মাৰক পত্ৰখন মুখ্যমন্ত্ৰীলৈ প্ৰেৰণৰ আশ্বাস প্ৰদান কৰাৰ পাছত প্ৰতিবাদ সমাপ্ত কৰে।

**বগীনদী থানাত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হিচাপে যোগদান কৰিয়েই গংগা ফুকনৰ কঠোৰ স্থিতি**

# বগীনদীত অবৈধ সুৰা ব্যৱসায়ৰ বিৰুদ্ধে বগীনদী আৰক্ষীৰ অভিযান



**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২৭ নৱেম্বৰ ঃ** লখিমপুৰ জিলাৰ বগীনদী থানাৰ নতুন ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গংগা ফুকনৰ অপৰাধৰ বিৰুদ্ধে সক্ৰিয়তাক সকলোৱে প্ৰশংসা কৰিছে। বিশেষকৈ অবৈধ মদৰ ব্যৱসায়ৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিছে বিষয়া গৰাকীয়ে। বগীনদী অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত থকা দোকান, সৰু সৰু হোটেল সমূহত এই ব্যৱসায় মুকলিকৈ চলি আহিছে। এই অবৈধ ব্যৱসায়ৰ বিৰুদ্ধে বগীনদী থানাত গংগা ফুকনে নতুনকৈ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে যোগদান কৰি অভিযান তীব্ৰ কৰি তুলিছে। বিগত এসপ্তাহত এনে ব্যৱসায়ৰ বিৰুদ্ধে অভিযান চলাই যথেষ্ট সুৰা নষ্ট কৰিবলৈ সক্ষম হৈছে। কালিও অভিযান চলাই যথেষ্ট সুৰাৰ বটল জব্দ কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। এনে ব্যৱসায় কৰা বেপাৰীক আটক কৰি কঠোৰ শাস্তি প্ৰদান কৰিলেহে এই সমূহ ব্যৱসায় ৰোধ হ'ব বুলি সচেতন মহলে মতপ্ৰকাশ কৰিছে।

জ্যেষ্ঠ সাংবাদিক প্ৰবীৰ কুমাৰ চক্ৰৱৰ্তীক জীৱনজোৰা সাধনা বঁটা প্ৰদান

# ডিব্ৰুগড়ত কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলনৰ পঞ্চদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৭ নৱেম্বৰ ঃ** সংৰক্ষণ ব্যৱস্থাৰ পৰা আঁতৰি আহিব অনুসূচিত জাতিৰ কৈৱৰ্ত জনগোষ্ঠীসকল। ইয়াৰ পৰিৱৰ্তে কৈৱৰ্ত জনগোষ্ঠীক বিশেষ মৰ্যাদা প্ৰদানেৰে বছৰি ১,০০০ কোটি টকা পেকেজ আৱণ্টনৰ দাবী জনাইছে সদৌ অসম কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলনে। আজি ডিব্ৰুগড় মহানগৰৰ চৌকিডিঙীস্থিত জাগৃতি প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা সন্মিলনৰ পঞ্চদশ বাৰ্ষিক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসত এই কথা প্ৰকাশ কৰে সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি জয়ন্ত দাসে। সংগঠনটোৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা জাতীয় অভিৱৰ্তনত সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি জয়ন্ত দাসে লগতে কয় যে, আমি অনুসূচিত জাতিৰ কৈৱৰ্ত জনগোষ্ঠীসকল সাংবিধানিক গণ্ডীত নাথাকো। আমাক বিশেষ মৰ্যাদা লাগিব। আমাক সংৰক্ষণৰ ব্যৱস্থা নালাগে। সংৰক্ষণ ব্যৱস্থাত থাকি, প্ৰমাণ পত্ৰখন লৈ আমাৰ একো লাভ হোৱা নাই। মুষ্টিমেয় কেইজনমান মন্ত্ৰী-বিধায়কহে এই সংৰক্ষণ ব্যৱস্থাটোৰ পৰা উপকৃত হৈছে। অসমৰ কৈৱৰ্ত জনগোষ্ঠী কিম্বা খাটিখোৱা মানুহৰ একো লাভ হোৱা নাই। সংৰক্ষণ ব্যৱস্থাটোৰ পৰা কৈৱৰ্ত জনগোষ্ঠীসকল নাথাকো বুলি আজি ঘোষণা কৰিলোঁ। ইয়াৰ পৰিৱৰ্তে বিশেষ মৰ্যাদা প্ৰদান কৰি প্ৰতি বছৰে কৈৱৰ্ত জনগোষ্ঠীৰ উন্নয়নৰ বাবে এক হাজাৰ কোটি টকা পেকেজ ধাৰ্য কৰক। ইফালে কৈৱৰ্ত জনগোষ্ঠীক বৰ্তমান চৰকাৰখনে বিভিন্ন ধৰণে বঞ্চনা কৰি অহা বুলি ক্ষোভ প্ৰকাশ কৰি দাসে লগতে কয়, চৰকাৰে আমাৰ দাবীসমূহক কোনোধৰণে গুৰুত্ব প্ৰদান কৰা নাই। বিধানসভা নিৰ্বাচনৰ পূৰ্বে কৈৱৰ্ত জনগোষ্ঠীক উন্নয়ন পৰিষদ বা স্বায়ত্তশাসন দিব লাগিব। অসমৰ ১৫ লক্ষাধিক কৈৱৰ্ত জনগোষ্ঠীৰ ভিতৰত ৯০ শতাংশৰে নাই ভূমিৰ অধিকাৰ। মৎস্যৰ ওপৰত নিৰ্ভৰশীল বিজ্ঞানসন্মতভাৱে যিধৰণে মাছ উৎপাদনৰ ব্যৱস্থা কৰিব লাগিছিল সেইধৰণৰ কৰা হোৱা নাই। ইয়াৰ ফলত মৎস্য ব্যৱসায়টো বণিক গোষ্ঠীৰ হাতলৈ গুচি গৈছে। আধুনিক পদ্ধতিৰে কৈৱৰ্ত জনগোষ্ঠীৰ জীৱন- জীৱিকাক সুৰক্ষিত কৰাৰ ক্ষেত্ৰত কোনোধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাই। কৈৱৰ্ত জনগোষ্ঠীসকল বছৰেকত তিনি-চাৰিমাহ মাছ উৎপাদন যেতিয়া বন্ধ হৈ পৰে, সেইখিনি সময়ত একঁকালীন সাহায্য প্ৰদান কৰিবলৈ দাবী জনাই আহিছো। কিন্তু সেইখিনিও চৰকাৰে গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। অনুসূচিত জাতি সংৰক্ষিত ৭টা সমষ্টিত সন্দেহজনক লোকে ভুৱা প্ৰমাণ পত্ৰ লৈ নিৰ্বাচন খেলিবলৈ প্ৰস্তুতি চলাই থকা বুলি অভিযোগ উত্থাপন কৰি কয় যে, অনুসূচিত জাতিৰ ভুৱা প্ৰমাণ পত্ৰ লৈ নিৰ্বাচন খেলিবলৈ সাজু হৈ থকা ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে এনেধৰণৰ কাৰ্যপন্থাৰ দূৰৈত থাকক। অন্যথা আন্দোলনৰ কাৰ্যসূচী হাতত ল'বলৈ বাধ্য হম। ভুৱা প্ৰমাণ পত্ৰ লৈ সংৰক্ষিত আসন নিৰ্বাচন খেলিব বিচৰাসকলক শাসক-বিৰোধী সকলো দলে প্ৰাৰ্থীত্ব প্ৰদান নকৰিব। হকে-বিহকে জাতিগত প্ৰমাণ পত্ৰ দিয়াৰ ব্যৱস্থাটো বন্ধ কৰিব লাগে। একেটা প্ৰসংগত কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি জয়ন্ত দাসে কয় যে, চৰকাৰে বিভিন্ন জাতি-জনগোষ্ঠীক প্ৰায় ৪৫খন উন্নয়ন পৰিষদ আৰু স্বায়ত্তশাসন দিলে। কিন্তু কৈৱৰ্ত জনগোষ্ঠীৰ দৰে ঐতিহাসিক জনগোষ্ঠী এটাক কি ভিত্তিত উন্নয়ন পৰিষদ বা স্বায়ত্তশাসন প্ৰদান কৰা নাই। আমি জনগোষ্ঠীটোৰ সামগ্ৰীক উন্নয়নৰ বাবে ৫০০ কোটি টকা পেকেজ আৱণ্টনৰ বাবে দাবী জনাই আহিছো। কিন্তু পাঁচশ কোটি টকা বাদেই দিয়ক, পাঁচ টকা এটাও উন্নয়নৰ বাবে দিয়া নাই। কেন্দ্ৰীয় চৰকাৰৰ পৰা আমাৰ নামত অহা পেকেজ অন্য শিতানলৈ হস্তান্তৰ কৰি ব্যৱহাৰ কৰিছে। চৰকাৰৰ এই কুটিল ৰাজনীতি বন্ধ কৰিব লাগে। আমাৰ জনগোষ্ঠী বুলি গৌৰৱ কৰি থকা মন্ত্ৰী পীযুষ হাজৰিকাৰ ভূমিকা সন্দেহজনক। তেওঁৰ শেহতীয়া কাম-কাজে আমাৰ জনগোষ্ঠীটোৰ প্ৰতি থকা নৈতিক অধিকাৰ পাহৰাই পেলালে। অনুসূচিত জাতিৰ সংৰক্ষিত আসনৰ পৰা গৈ প্ৰতিনিধিত্ব কৰি অসমৰ বিয়াগোম মন্ত্ৰী হৈছে। কিন্তু অনুসূচিত জাতিৰ লোকসকলৰ সমস্যা সন্দৰ্ভত বিধানসভাত এবাৰো মাত মাতিবলৈ সময় নহ'ল। জয়ন্ত দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক প্ৰবীৰ কুমাৰ চক্ৰৱৰ্তীক ২০২৫ বৰ্ষৰ "জীৱনজোৰা সাধনা বঁটা" প্ৰদান কৰা হয়। মীনাক্ষী দাস বৰুৱাৰ নেতৃত্বত সমবেত সংগীতেৰে আৰম্ভ হোৱা মুকলি সভাত ডিব্ৰুগড় পশ্চিম ৰাজহ চক্ৰৰ চক্ৰ বিষয়া দেৱনাৰায়ন হাজৰিকা, কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলনৰ মুখ্য উপদেষ্টা ডিম্বেশ্বৰ হাজৰিকা, উপদেষ্টা বলেন্দ্ৰ দাস, সীমান্ত দাস, অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাস, উপদেষ্টা পবিত্ৰ হাজৰিকা, কৈৱৰ্ত সন্মিলনীৰ সভাপতি ডম্বৰুধৰ দাস, মুখ্য সাংগঠনিক সম্পাদক ধ্ৰুৱ ভড়ালী, সমাজকৰ্মী উন্তীৰাম দাস, লোকবাদ্য শিল্পী জিতেন দাসকে ধৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ নেতাই উপস্থিত থাকি বক্তব্য প্ৰদান কৰে।

# NHITৰ পথ সুৰক্ষাৰ মকড্ৰিল সম্পন্ন



**অসম বাৰ্তা, বাসুগাঁও, ২৭ নৱেম্বৰ ঃ** নেশ্যনেল হাইৱে ইনফ্ৰাট্ৰাষ্ট ইষ্টাৰ্ণ প্ৰজেক্টপ্ৰাইভেট লিমিটেড চমুকৈ এন এইচ আই টি( কে আৰ কে- কে পি)ৰ উদ্যোগত আজি এক পথ সুৰক্ষা সম্পৰ্কীয় মকড্ৰিল আৰু সজাগতা সভা অনুষ্ঠিত হয়। বঙাইগাঁও আৰু চিৰাং জিলাৰ সন্ধিস্থল ৰাখালডুবিত অনুষ্ঠিত এই মকড্ৰিলত দুয়োখন জিলাৰ প্ৰশাসন, আৰক্ষী, চিকিৎসা বিভাগ, অগ্নিনিৰ্বাপক বাহিনী, এছ ডি আৰ এফে সহযোগ কৰে। পুৱা ১১-৩০ বজাত আৰম্ভ হোৱা মকড্ৰিলৰ সময়ত আৰম্ভণিতে এখন পিকআপ ভেন আৰু এখন বলেৰো গাড়ীৰ মুখামুখি সংঘৰ্ষ দেখুওৱা হয়। দুৰ্ঘটনাটোৰ ফলত দুজন লোক গুৰুতৰ ভাৱে আহত হয় আৰু অগ্নিৰ সূত্ৰপাত হয়। খবৰ লাভ কৰি এন এইচ এ আইৰ পেট্ৰল ইউনিটৰ গাড়ী উপস্থিত হৈ উদ্ধাৰ কাৰ্য আৰম্ভ কৰে। তাৰপিছত ক্ৰমে এছ ডি আৰ এফ, এম্বুলেন্স, অগ্নিনিৰ্বাপকৰ গাড়ী উপস্থিত হয়। ততাতৈয়াকৈ অগ্নিনিৰ্বাপণ কৰা, আহতসকলক চিকিৎসাৰ ব্যৱস্থা কৰা আদি নিজৰ নিজৰ ন্যস্ত দায়িত্ব আৰু কৰ্তব্য সুকলমে সম্পন্ন কৰা হয়। মকড্ৰিলৰ অন্তত পথ সুৰক্ষা সম্পৰ্কীয় এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত ভাষণ প্ৰদান কৰি বঙাইগাঁও জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক( অপৰাধ) এন সিংঘম, সহকাৰী আয়ুক্ত মূৰ্ছনা মালাকৰে মকড্ৰিলটোৰ ওপৰত সন্তুষ্টি প্ৰকাশ কৰে আৰু দুৰ্ঘটনাৰ ক্ষেত্ৰত হাইৱে কৰ্তৃপক্ষ অধিক সক্ৰিয় হ'লে ক্ষয়-ক্ষতিৰ পৰিমাণ হ্ৰাস কৰিব পৰা যায় বুলি মন্তব্য কৰে। আন এগৰাকী বক্তা জিলা পথ সুৰক্ষা কমিটীৰ সদস্য সচিব মুকুট কাকতিয়ে দুৰ্ঘটনাৰ সময়ত সহায় হোৱাকৈ যোগাযোগৰ প্ৰয়োনীয় ফোন নম্বৰসমূহ সহজে উপলব্ধ হোৱাকৈ ৰাস্তাৰ দাঁতিত ঠায়ে ঠায়ে চাইনবৰ্ডত লিখি আৰি থোৱাৰ ব্যৱস্থা কৰিবলৈ কৰ্তৃপক্ষক পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত বঙাইগাঁও আৰু চিৰাং জিলাৰ অগ্নিনিৰ্বাপক বাহিনীৰ বিষয়া, জিলা প্ৰশাসনৰ বিষয়া, এন এইচ আই টিৰ কেবাগৰাকীও বিষয়া - কৰ্মচাৰীকে ধৰি স্থানীয় ৰাইজ উপস্থিত থাকে।

# বিজনীৰ ৩ নং চিকা-ঝোৰাত বন্যহস্তীৰ তাণ্ডৱ

**অসম বাৰ্তা, বিজনী, ২৭ নৱেম্বৰ ঃ** চিৰাং জিলাৰ বিজনী মহকুমাৰ অন্তৰ্গত ৩ নং চিকাঝোৰা গাঁৱত বুধবাৰে নিশা বন্যহস্তীৰ জাকে তাণ্ডৱ চলাই গাঁওবাসীৰ বিস্তৰ ক্ষতিসাধন কৰে। ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলত খাদ্যৰ সন্ধানত কাষৰীয়া সংৰক্ষিত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা নিশা ওলাই অহা বন্যহস্তীৰ জাকে গাঁওখনত প্ৰৱেশ কৰি গাঁওখনৰ নিৱাসী পৰশুৰাম চৌহান, গৰিৱ চৌহান, ঝবুৰ চৌহান আৰু প্ৰদীপ গোৱা আৰু ২ নং চিকাঝোৰা গাঁৱৰ নিৱাসী সঞ্জয় চক্ৰৱৰ্তী, মাণিক চক্ৰৱৰ্তীৰতামোলৰ গছ ভাঙি বিস্তৰ ক্ষতিসাধন কৰে। দীপক চক্ৰৱৰ্তীৰ এক বিঘা মাটিৰ পানী লাউ খেতিৰ যাপনা ভাঙি তহিলঙ কৰে। প্ৰত্যেকজনৰ এক বিঘাতকৈ অধিক মাটিৰ তামোল গছ হাতীয়ে ভাঙি তহিলঙ কৰি নষ্ট কৰে। বৃহস্পতিবাৰে বন্যহস্তীয়ে ক্ষতিসাধন কৰা অঞ্চল পৰিদৰ্শন কৰে বন বিভাগৰ বিষ্ণুপুৰ বীট কাৰ্যালয়ৰ বনকৰ্মী।

# ৰূপহীহাটৰ ৰৌমাৰীত মহিলাৰ নৈশ কাবাডী খেল অনুষ্ঠিত হ'ব

**অসম বাৰ্তা, ৰূপহীহাট, ২৭ নৱেম্বৰ ঃ** ৰূপহীহাটৰ ৰৌমাৰী ইন্দিৰাপাৰত ভাই ভাই ক্লাৱৰ সৌজন্যত প্ৰাইজমানী মহিলাৰ নৈশ কাবাডী খেল অনুষ্ঠিত কৰা হ'ব। পোনপ্ৰথম বাৰৰ বাবে সংখ্যালঘু অধ্যুষিত অঞ্চলত কাবাডী খেল প্ৰেমিক ৰাইজৰ বাবে সু- খবৰ। অহা কালি সন্ধিয়া ৭ বজাৰ লগে লগে মহিলাৰ নৈশ কাবাডী খেল অনুষ্ঠিত কৰা হ'ব। উক্ত প্ৰাইজমানী মহিলা কাবাডী খেলত অংশ গ্ৰহণ কৰিব গুৱাহাটী আজাৰাৰ দল আৰু ৰঙিয়া মহিলাৰ দলৰ মাজত খেল অনুষ্ঠিত হ'ব। সকলো ৰাইজক অহা কালিৰ প্ৰাইজমানী মহিলা কাবাডী খেলখন চাবলৈ আহ্বান জনায় খেল পৰিচালনা কমিটীয়ে।

**পুৰণি পেঞ্চন নীতি বাহাল ৰখাৰ দাবীত কৰ্মবিৰতি**

# নগাঁও বন সংমণ্ডলৰ কৰ্মচাৰীৰ কৰ্মবিৰতি পালন



**অসম বাৰ্তা, নগাঁও, ২৭ নৱেম্বৰ ঃ** নগাঁও জিলা এন পি এছ কৰ্মচাৰী সন্থা সংস্থাৰ অধীনত নগাওঁ বন সংমণ্ডলৰ কাৰ্যালয়ত কৰ্মচাৰী সকলে দিনযোৰাকৈ কৰ্মবিৰতি পালন কৰে। এন পি এছ আৰু ইউ পি এছ বাতিল কৰি অপিএছ ব্যৱস্থা বাহাল ৰাখিবৰ বাবে আজিৰ এই কৰ্মবিৰতি অনুষ্ঠানত দাবী জনাইছে। আজি পুৱা ১০ বজাৰ পৰা বিয়লি ৫ বজালৈকে কৰ্মবিৰতি পালন কৰে বন সংমণ্ডলৰ কৰ্মচাৰী সকলে। কৰ্মচাৰী সকলৰ চৰকাৰক এটাই দাবি অপিএছ পেঞ্চন ব্যবস্থা বাহাল ৰাখিব লাগে। আজিৰ এই কৰ্মবিৰতি কাৰ্যসূচীত সংস্থা সদস্য ছাইদুল ইচলাম, অসীম চৰকাৰকে প্ৰমুখ্যে কৰি কাৰ্যালয়ৰ সকলো কৰ্মচাৰীয়ে কৰ্মবিৰতি পালন কৰে।

# দুধনৈত গাঞ্জাসহ এগৰাকী সৰবৰাহকাৰী আটক




**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২৭ নৱেম্বৰ ঃ** দুধনৈ আৰক্ষী থানাৰ অন্তৰ্গত বেচিমাৰীত বুধবাৰে গাঞ্জা সহ এগৰাকী ব্যক্তিক আটক কৰে আৰক্ষীয়ে। আৰক্ষী সূত্ৰে জানিব পৰা মতে এক গোপন সূত্ৰৰ পম খেদি বুধবাৰে নিশা দুধনৈ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সমীৰ কোৱৰৰ নেতৃত্বত আৰু দুধনৈ সমজিলা আৰক্ষী অধীক্ষক নূপুৰ ৰঞ্জন নেওঁগৰ সহযোগত চলোৱা এক অভিযানত দুধনৈৰ নিকটৱৰ্তী বেচিমাৰীত মঙলু সূত্ৰধৰ নামৰ এজন ৬২ বছৰীয়া ব্যক্তিক গাঞ্জা বিক্ৰী কৰি থকা অৱস্থাত হাতে লোতে ধৰি আটক কৰে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি মঙলু সূত্ৰধৰে দীৰ্ঘদিনৰ পৰাই নিজৰ ঘৰতে থকা শিৱ মন্দিৰৰ পৰাই গাঞ্জা বিক্ৰি কৰি আহিছিল। অকল গাঞ্জা বিক্ৰিয়েই নহয় মন্দিৰটোত শিশু কিশোৰৰ পৰা বয়সীয়াল লোকৰ বাবে গাঞ্জা সেৱনস্থলীলৈ ৰূপান্তৰ কৰিছিল। বেচিমাৰী গাঁৱৰক্ষী বাহিনীৰ সভাপতি ত্ৰলোক্য মোহন সূত্ৰধৰে সংবাদ মাধ্যমক কয় যে, পূৰ্বতেও একে অভিযোগত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা মঙলু সূত্ৰধৰক গাঁৱৰ ৰাইজে দীৰ্ঘদিনৰ পৰাই গাঞ্জা বিক্ৰি কৰি গাঁৱৰ পৰিৱেশ বেয়া নকৰিবলৈ সকিয়াই দিছিল। কিন্তু নিৰ্লজ্য মঙলু সূত্ৰধৰে কথা নুশুনি গাঞ্জা সৰবৰাহ কৰাৰ লগতে নিজৰ ঘৰতে থকা মন্দিৰৰ পৰাই গাঞ্জা বিক্ৰি কৰি খোৱাৰ বাবে বিভিন্ন জনক উদগণি দিছিল। মঙলু সূত্ৰধৰৰ এনে কাণ্ডত ৰাইজ অতিষ্ঠ হৈ পৰিছিল। বুধবাৰে নিশাৰ ভাগত দুধনৈ আৰক্ষীয়ে অভিযান চলাই মঙলুক আটক কৰাত গাঁওবাসীয়ে আৰক্ষীক ধন্যবাদ জনাইছে। আনহাতে বৰবিহ স্বৰূপ গাঞ্জা সৰবৰাহৰ লগত জড়িত আন সকলোকে গ্ৰেপ্তাৰ কৰি কঠোৰতম শাস্তি বিহিবলৈ অনুৰোধ জনাইছে। ইতিমধ্যে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ বাহালৰ দাবীত লখিমপুৰত ক'লা দিৱস পালনেৰে প্ৰতিবাদ




**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২৭ নৱেম্বৰ ঃ** লখিমপুৰ জিলাতো আজি এন পি এছ আৰু ইউ পি এছ ব্যৱস্থা বাতিল কৰি পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ বাহালৰ দাবীত সদৌ অসম এন পি এছ কৰ্মচাৰী পৰিষদে আহ্বান জনোৱা 'ক'লা দিৱস'ৰ গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰা হয়। বিভিন্ন বিদ্যালয়, চৰকাৰী কাৰ্যালয়ত কৰ্মৰত এন পি এছ কৰ্মচাৰীয়ে শনিবাৰে কৰ্মথলীত কৰ্মসময়ত কলা বেজ পৰিধান কৰি "ক'লা দিৱস" পালন কৰে তথা কৰ্মবিৰতি পালন কৰে। সকলো চৰকাৰী বিভাগ, কাৰ্যালয়ৰ কৰ্মচাৰী, শিক্ষকসকলে পুৱা ৯ বজাৰ পৰা ক'লা বেজ পৰিধান কৰি এই কৰ্মচাৰী বিৰোধী নীতি ব্যৱস্থাৰ সংঘবদ্ধ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখযোগ্য যে ২০০৫ চনৰ ১ ফেব্ৰুৱাৰীৰ পৰা ৰাজ্য চৰকাৰে চৰকাৰী কৰ্মচাৰীসকলৰ ধাৰাবাহিক প্ৰতিবাদ আৰু অসন্তুষ্টিকো কেৰেপ নকৰি এই কৰ্মচাৰী বিৰোধী "এন পি এছ" নীতি প্ৰৱৰ্তন কৰিছিল। কৰ্মচাৰী পৰিষদে ৰাজ্য চৰকাৰৰ এনে স্বেচ্ছাচাৰী নীতিৰ প্ৰতিবাদ জনাই পুৰণি পেঞ্চন নীতি প্ৰৱৰ্তন নকৰা পৰ্যন্ত পৰিষদৰ গণতান্ত্ৰিক প্ৰতিবাদ, সংগ্ৰাম অব্যাহত থাকিব বুলি কৈ ইয়াৰ সমুচিত প্ৰত্যুত্তৰ ৰাজ্য চৰকাৰে ভুগিবলৈ সাজু থকাৰ সকীয়নী দিছে।

**কংগ্ৰেছে চালানি প্ৰাৰ্থী দিলে এইবাৰো মুখ থেকেছা খাব বুলি সাধাৰণ ভোটাৰ ৰাইজৰ মন্তব্য**

# ধিং সমষ্টিৰ কংগ্ৰেছীয়ে এইবাৰ বিচাৰিছে স্থায়ী প্ৰাৰ্থী

**অসম বাৰ্তা, বটদ্ৰৱা, ২৭ নৱেম্বৰ ঃ** সমাগত ২০২৬নিৰ্বাচন সকলো দলে সমগ্ৰ অসমৰ লগতে ৫৫নং ধিং বিধনসভা সমষ্টিতো বিজেপি, এ আই ইউ ডি এফ, ৰাইজৰ দলৰ লগতে কংগ্ৰেছ দলেও চলাইছে নিৰ্বাচনী ৰণ কৌশল। এক উল্লেখযোগ্য বিষয় যে, কংগ্ৰেছ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশি ১০-১৫জন। প্ৰাৰ্থী সকলৰ মাজত ধিং সমষ্টিৰ বাহিৰৰ পৰাও বহু নেতাই বিচাৰিছে প্ৰাৰ্থীত্ব। এতিয়া সাধাৰণ ভোটাৰ ৰাইজ লগতে সচেতন মহলে মত প্ৰকাশ কৰে যে, ইমান সকল প্ৰাৰ্থী থকাৰ পিছতো যদি স্থানীয় প্ৰাৰ্থী প্ৰক্ষেপ নকৰে তেতিয়া হ'লে কোনো দিনেই দখল কৰিব নোৱাৰে ধিং সমষ্টি। সচেতন মহলৰ আৰু কংগ্ৰেছ প্ৰেমী ৰাইজৰ স্থানীয় প্ৰাৰ্থী প্ৰক্ষেপ কৰিবলৈ আহ্বান জনায় কংগ্ৰেছ দলৰ উৰ্দ্ধতম কৰ্তৃপক্ষক অন্যথা ধিং সমষ্টিত কংগ্ৰেছৰ বিধায়ক হোৱাৰ সপোন সপোন হৈয়েই থাকিব।

# জাঁজী জামুগুৰিত সদৌ অসম ভিত্তিত প্ৰাইজমনি ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, জাঁজী, ২৭ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ ঐতিহ্যমণ্ডিত জাঁজী জামুগুৰিত গত বৰ্ষৰ দৰে এইবাৰো জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত -জামুগুৰি ফুটবল ক'চিং চেণ্টাৰৰ উদ্যোগত তথা জাঁজী বাসী ৰাইজৰ সহযোগত সদৌ অসম ভিত্তিত আমন্ত্ৰণমূলক প্ৰাইজ মনি ফুটবল প্ৰতিযোগিতা অহা ৩০ নৱেম্বৰত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। উলেক্ষ যে প্ৰয়াত ডিম্বেশ্বৰ খাউণ্ড, দুৰ্গাপ্ৰসাদ বৰুৱা, আৰু অৰবিন্দ বৰুৱা সোঁৱৰণী আমন্ত্ৰণমূলক প্ৰাইজ মনি প্ৰতিযোগিতা খনি প্ৰথম, দ্বিতীয় পুৰস্কাৰৰ উপৰিও শ্ৰেষ্ঠ গ'ল কিপাৰ, শ্ৰেষ্ঠ খেলুৱৈ, শ্ৰেষ্ঠ গ'ল দাতা, শ্ৰেষ্ঠ শৃংখলাবদ্ধ দল, শ্ৰেষ্ঠ ডিফেণ্ডাৰ, শ্ৰেষ্ঠ মিড ডিফেণ্ডাৰ, আৰু শ্ৰেষ্ঠ ষ্টাইলিষ্ট খেলুৱৈক পুৰস্কাৰ প্ৰদান কৰা হব। সেয়েহে জামুগুৰি ফুটবল ক'চিং চেণ্টাৰৰ সভাপতি ৰাজীৱ নেওগ, সম্পাদক দ্বীপ খনিকৰ, আৰু খেল পৰিচালনা সমিতিৰ সভাপতি প্ৰণৱ জ্যোতি গগৈ, সম্পাদকদ্বয় হিমাঙ্গ বৰা, পাৰ্থ প্ৰতিম কোঁৱৰে সকলো ৰাইজৰ সহযোগিতা কামনা কৰিছে।

# পাঁচমাইল শাখা সাহিত্য সভাৰ ত্ৰয়োদশ দ্বি বাৰ্ষিক অধিৱেশন আৰু ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন




**অসম বাৰ্তা, তেজপুৰ সদৰ, ২৭ নৱেম্বৰ ঃ** যোৱা ২৩ নৱেম্বৰ তাৰিখে শোণিতপুৰ জিলা সাহিত্য সভাৰ অন্তৰ্গত পাঁচমাইল শাখা সাহিত্য সভাৰ ত্ৰয়োদশ দ্বি বাৰ্ষিক অধিৱেশন আৰু ৰূপালী জয়ন্তী বৰ্ষ উদযাপন দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে তেজপুৰৰ পাঁচমাইল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভাগৃহত অনুষ্ঠিত হয়। পুৱা ৮.০০ বজাত পৰিৱেশ নিকাকৰণ কৰি ৮.৪৫ বজাত পাঁচমাইল শাখা সাহিত্য সভাৰ সভাপতি আলাউদ্দিন আহমেদ আৰু অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সদস্য ইদ্ৰীছ আলীয়ে। পাঁচমাইল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিশ্বজ্যোতি বৰা আৰু পাঁচমাইল শাখা সাহিত্য সভাৰ উপ সভাপতি নৃপেন দাসে স্মৃতি তৰ্পণ কৰাৰ পিছতে শিক্ষক কিশোৰ উপাধ্যায়ৰ তত্ত্বাৱধানত হিয়াৰ আমঠু জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। ১০.৩০ বজাত পাঁচমাইল শাখা সাহিত্য সভাৰ সভাপতি আলাউদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বিষয়বাব বাছনি সভাত বিষয়বাব বাছনি কৰা হয়। সভাপতি হিচাপে নৃপেন দাস, উপ সভাপতি ছাহজাহান আলম চৰকাৰ, সম্পাদক কামাল উদ্দিন আকন্দ, পত্ৰিকা সম্পাদকদ্বয় ৰাজ কুমাৰ কটেল আৰু ধনঞ্জয় দাসক লৈ ১৫ জনীয়া কমিটি গঠন কৰা হয়। শোণিতপুৰ জিলা সাহিত্য সভাৰ সভাপতি ড° শুকদেৱ অধিকাৰীয়ে উদ্বোধন কৰা মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক দুলাল নাথ উপস্থিত থাকে আৰু বিশিষ্ট অতিথি হিচাপে ভাষণ প্ৰদান কৰে বিশিষ্ট সাহিত্যিক ড° ভূপেন শইকীয়াই। মুকলি সভাতে অসম সাহিত্য সভাৰ প্ৰচাৰ উপ সমিতিৰ কাৰ্য্যকৰী সভাত মহেন্দ্ৰ কুমাৰ নাথে ৰূপালী সাঁকো নামৰ পাঁচমাইল শাখা সাহিত্য সভাৰ স্মৃতি গ্ৰন্থ উন্মোচন কৰে।

# গুৱাহাটীৰ চান্দমাৰীস্থিত নিজৰা-পাৰ প্ৰাথমিক বিদ্যালয়ৰ নৱনিৰ্মিত বিদ্যালয় ভৱনৰ শুভ উদ্বোধন



**ষ্টাফ ৰিপৰ্টাৰ, কামৰূপ, ২৭ নৱেম্বৰ ঃ** চৰকাৰী বিদ্যালয়ৰ উন্নয়নমুখি যাত্ৰা। যি সময়ত চৰকাৰী বিদ্যালয়ৰ ভৱিষ্যতক লৈ ভিন্ন চৰ্চা অব্যাহত আছে, ঠিক তেনে সময়তে চৰ্চা লৈ আহিছে গুৱাহাটীৰ এখন চৰকাৰী প্ৰাথমিক বিদ্যালয়। চৰকাৰী বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ ধাউতি হেৰুওৱাৰ সময়তে ন ৰূপেৰে ন উদ্যমেৰে আগুৱাইছে নিজৰাপাৰ প্ৰাথমিক বিদ্যালয়। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ সৈতে ফেৰ মাৰিব পৰাকৈ উন্নীত কৰণ কৰা হৈছে বিদ্যালয়খন। চৰকাৰী বিদ্যালয় জীয়াই ৰখাৰ চৰকাৰী চেষ্টাৰ ফলশ্ৰুতিত আজি গুৱাহাটীৰ চান্দমাৰী স্থিত নিজৰাপাৰ প্ৰাথমিক বিদ্যালয়ৰ নৱ নিৰ্মিত বিদ্যালয় ভৱনৰ শুভ উদ্বোধন অনুষ্ঠান আয়োজন কৰা হয়। প্ৰায় ৪২ লাখ টকাৰ চৰকাৰী অনুদানেৰে এইগৃহটো নিৰ্মাণ কৰা হৈছে। বিদ্যালয় গৃহটোত দুটা শ্ৰেণীকোঠা আৰু প্ৰথম মহলাত নিজৰাপাৰ বাসিন্দা প্ৰয়াত সুধাকণ্ঠ ভূপেন হাজৰিকাৰ স্মৃতিত "সুধাকণ্ঠ প্ৰেক্ষাগৃহ" নামেৰে এটি প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা হয়। নৱ নিৰ্মিত এই ভৱন উদ্বোধন কৰে এই বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা অসম চৰকাৰৰ পি ডব্লিও ডি বিভাগৰ বিশেষ সচিব ৰাজ চক্ৰৱৰ্তীয়ে। অনুষ্ঠানত সাংবাদিক প্ৰণয় বৰদলৈৰ লগত বিদ্যালয় খনৰ শিক্ষক শিক্ষয়িত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু বিশিষ্ট অতিথি সকল উপস্থিত থাকে। অনুষ্ঠানৰ শেষত বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰদীপ কলিতাই সাংবাদিকৰ আগত কয় যে, এনে উন্নীত কৰণে চৰকাৰী বিদ্যালয় আৰু বহু দিনলৈ জীয়াই ৰাখিব। এনেকৈ আধুনিক ভৱন নিৰ্মাণ কৰি দিলে, উপযুক্ত শিক্ষক নিযুক্তি দিলে, সকলো যাৱতীয় সুবিধা কৰি দিলে ব্যক্তিগত খণ্ডৰ বিদ্যালয় নগৈ সকলো চৰকাৰী বিদ্যালয়লৈ আকৌ ঘূৰি আহিব। ১৯৫৬ চনত স্থাপিত ঐতিহ্যমণ্ডিত নিজৰাপাৰ প্ৰাথমিক বিদ্যালয়ৰ যাত্ৰা খেৰীঘৰৰ পৰা আৰম্ভ, ছাত্ৰ-ছাত্ৰী সকলে ধাৰি লৈ স্কুললৈ আহিছিল আৰু আজি এই ঐতিহ্যমণ্ডিত বিদ্যালয়খন এটা ধুনীয়া অট্টালিকাত পৰিণত হ'ল। ১০০ ৰো অধিক ছাত্ৰ-ছাত্ৰী পাঠগ্ৰহণ কৰে স্কুল খনত। লগতে প্ৰধান শিক্ষক গৰাকীয়ে কয় যে, আমাৰ এই আগশাৰী ঐতিহ্যমণ্ডিত নিজৰাপাৰ বিদ্যালয়ৰ পৰা পাঠদান কৰা ছাত্ৰ-ছাত্ৰী বৰ্তমান বহু ভাল ভাল পদবীত কৰ্মৰত আছে। ইয়াৰ ভিতৰত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্য্য, মলয়া বৰুৱা, ৰাজ চক্ৰৱৰ্তী, প্ৰণয় বৰদলৈ আদি। মই আজি সংবাদ মাধ্যমৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো যে, চৰকাৰী স্কুলত শ্ৰেণী অনুযায়ী শিক্ষক নিয়োগ কৰাৰ ব্যৱস্থা কৰক তেতিয়া ছাত্ৰ-ছাত্ৰী সকল চৰকাৰী বিদ্যালয় মুখি হ'ব। এই নৱনিৰ্মিত গৃহটোত ছাত্ৰ-ছাত্ৰীৰ বাবে দুটা শ্ৰেণীকোঠা আৰু বিদ্যালয়খনৰ বিভিন্ন অনুষ্ঠানৰ বাবে এটা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা হৈছে।

# আমগুৰিত পূবেৰুণ শিল্পী সমাজৰ 'সতীৰ্থ সোঁৱৰণী দিৱস' উদ্‌যাপন

**অসম বাৰ্তা, আমগুৰি, ২৭ নৱেম্বৰ ঃ** আমগুৰিৰ অগ্ৰণী সাংস্কৃতিক আৰু সামাজিক অনুষ্ঠান পূবেৰুণ শিল্পী সমাজে গত বছৰবোৰৰ দৰে এইবৰ্ষও যোৱা ২৫ নৱেম্বৰ তাৰিখে শিল্পী সমাজৰ প্ৰাক্তন সম্পাদক তথা শিল্পী প্ৰয়াত জয়ন্ত ফুকনৰ মৃত্যু তিথিৰ লগত সংগতি ৰাখি পূবেৰুণ সকলো প্ৰয়াত শিল্পী সদস্যৰ সোঁৱৰণত 'সতীৰ্থ সোঁৱৰণী দিৱস' অনুষ্ঠানৰ আয়োজন কৰে। আৰম্ভণিতে পূবেৰুণ শিল্পী সমাজৰ অস্থায়ী কাৰ্যালয়ত প্ৰয়াত শিল্পী সকলৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে শিল্পী সমাজৰ প্ৰতিষ্ঠাপক সম্পাদক নিতুল শইকীয়াই। ইয়াৰ পিছতেই প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত ডম্বৰু নেওগৰ গৰকাষৰীয়া গাঁৱৰ বাসগৃহত অনুষ্ঠিত কৰা হয় 'সতীৰ্থ সোঁৱৰণী দিৱস' অনুষ্ঠানটি। পূবেৰুণৰ সভাপতি অনুপম দত্ত, প্ৰতিষ্ঠাপক সম্পাদক নিতুল শইকীয়া, ডম্বৰু নেওগৰ সতীৰ্থ দিগন্ত বৰুৱা আৰু শুভাকাংক্ষী পুলিন বৰঠাকুৰে প্ৰয়াত ডম্বৰু নেওগৰ লগতে অন্যান্য সদস্য সকলৰ স্মৃতিচাৰণ কৰে। গৰিষ্ঠ সংখ্যক সদস্য উপস্থিত থকা অনুষ্ঠানটিৰ আঁত ধৰে জেষ্ঠ সদস্য প্ৰকাশ বৰুৱাই। অনুষ্ঠানত প্ৰয়াত ডম্বৰু নেওগৰ পৰিয়ালটিৰ লগতে তেখেতৰ সহধৰ্মিনীক ফুলাম গামোছা, প্ৰতীকপট আৰু কৃতজ্ঞতা পত্ৰেৰে সম্বৰ্দ্ধনা জনোৱা হয়।

# প্ৰয়াত সাংবাদিক মাণিক শইকীয়াৰ মাতৃ মাকন শইকীয়াৰ দেহাৱসান

**অসম বাৰ্তা, আমগুৰি, ২৭ নৱেম্বৰ ঃ** যোৰহাট জিলাৰ জাঁজী হাঁহচৰা নিবাসী, শইকীয়া বুক ষ্টলৰ স্বত্বাধিকাৰী প্ৰয়াত ভোলানাথ শইকীয়াৰ পত্নী, প্ৰয়াত সাংবাদিক মাণিক শইকীয়াৰ মাতৃ মাকন শইকীয়াৰ আজি বিয়লি ৪ঃ০০ বজাত বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত সৰবৰহী মহিলা গৰাকীৰ বয়স আছিল ৯৫ বছৰ। দীৰ্ঘদিন ধৰি শৰ্য্যাশায়ী হৈ থকা মহিলা গৰাকীৰ বিয়োগত হাঁহচৰা শাখা সাহিত্য সভা, চেলেংহাট প্ৰেছ ক্লাৱ, বিষ্ণু- জ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠী, হাঁহচৰা পূবেৰুণ কৃষ্টি সমাজ, স্থানীয় সংবাদকৰ্মীকে ধৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান তথা ব্যক্তিয়ে শোক প্ৰকাশ কৰিছে।

## সম্পাদকীয়

## অসমত বহুবিবাহ নিষিদ্ধ
# সামাজিক ন্যায় আৰু যুগোপযোগী বিধান

সমাজ জীৱনত এক যুগান্তকাৰী অধ্যায়ৰ সূচনা হ'ল। বৃহস্পতিবাৰে অসম বিধানসভাই 'অসম বহুবিবাহ প্ৰতিৰোধ বিধেয়ক, ২০২৫' গৃহীত কৰি এখন সভ্য আৰু সমতাপূৰ্ণ সমাজ গঠনৰ অভিমুখে এক ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিলে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উত্থাপন কৰা এই বিধেয়কখন কেৱল এটা আইনী দস্তাবেজ নহয় ইয়াৰ জৰিয়তে ৰাজ্যখনৰ সমাজত জ্বলি থকা এক গুৰুত্বপূৰ্ণ প্ৰসংগত বিৰাম দিয়া হৈছে। বহুবিবাহ নামৰ এই সামাজিক ব্যাধিয়ে কেৱল নাৰীজাতিকেই লাঞ্ছিত কৰা নাছিল, ই সমাজৰ মূৰত এনে এক দাগ কাটি দিছিল যাৰ পৰা আমাক মুক্ত হ'বলৈ এই দিনলৈ বাট চাবলগীয়া হৈছিল। বিধেয়কখনৰ সপক্ষে দিয়া মুখ্যমন্ত্ৰীৰ যুক্তিসমূহ চিন্তাশীল সমাজৰ বাবে গ্ৰহণযোগ্য। এজন পিতৃ হিচাপে তেওঁৰ ভাষণত যি আবেগ আৰু যুক্তি প্ৰকাশ পাইছে, সেয়া অসমৰ সকলো সচেতন পিতৃ-মাতৃৰে অনুভূতি। এজনী ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰি নিজৰ ভৱিষ্যৎ গঢ়ি তোলাৰ সলনি তেওঁক অল্পবয়সতে বিবাহপাশত আৱদ্ধ কৰি জীৱনৰ সকলো সম্ভাৱনাৰ পৰা বঞ্চিত কৰাটো নিশ্চয় কাৰো বিচৰা কথা হ'ব নোৱাৰে। মুখ্যমন্ত্ৰীয়ে স্পষ্টকৈ কৈছে যে এই আইন ধৰ্ম-জাতি নিৰ্বিশেষে সকলোৰে বাবে প্ৰযোজ্য হ'ব। এই কথাষাৰেই প্ৰমাণ কৰে যে এই আইন কোনো নিৰ্দিষ্ট ধৰ্মীয় গোটৰ বিৰুদ্ধে নহয়, বৰঞ্চ ই এখন সমাজত নাৰীৰ মৰ্যাদা আৰু অধিকাৰ সুৰক্ষিত কৰাৰ হেঁপাহৰ প্ৰতিফলন। নিঃসন্দেহে, এই আইনৰ বিৰোধিতাও হৈছে। কিন্তু এই বিৰোধিতাৰ মাজত থকা যুক্তিসমূহৰ প্ৰতি চকু ৰাখিবলগীয়া। প্ৰশ্ন উঠিব পাৰে — এই আইনে একাংশৰ ব্যক্তিগত আইনত হস্তক্ষেপ কৰা নাই নে? উত্তৰত ক'ব লাগিব যে, যেতিয়া কোনো ব্যক্তিগত আইন বা ৰীতি-নীতিয়ে সমাজৰ এক গুৰুত্বপূৰ্ণ অংশক — এই ক্ষেত্ৰত মহিলাসকলক — তেওঁলোকৰ মৌলিক অধিকাৰৰ পৰা বঞ্চিত কৰে, তেতিয়া ৰাষ্ট্ৰৰ হস্তক্ষেপ কৰাৰ অধিকাৰ আৰু কৰ্তব্য দুয়ো থাকে। বহুবিবাহৰ নামত নাৰীৰ জীৱনক বলি দিয়া প্ৰথা বন্ধ কৰাটো ৰাষ্ট্ৰৰ দায়িত্ব। মুখ্যমন্ত্ৰীয়ে সঠিকভাৱেই ইংগিত দিছে যে বহুবিবাহৰ বিৰুদ্ধে ৰাইজৰ মাজত এক প্ৰকাৰৰ ঐকমত্য আছে। ২০২৩ চনত গঠিত উচ্চ ন্যায়ালয়ৰ কমিটীলৈ মাত্ৰ দুখন সমৰ্থনপত্ৰ অহাটোৱেই ইয়াৰ সাক্ষ্য। সাধাৰণ মানুহৰ মনত এনে আইনৰ প্ৰয়োগ আৰু ফলনিয়তি সম্পৰ্কে প্ৰশ্ন থাকিবই। প্ৰথমতে, এই আইন কিমান পৰ্যায় কাৰ্যকৰী হ'ব? বহুবিবাহ এক গোপনীয়তাৰ আৱৰণত সংঘটিত হোৱা কাৰ্য। আইনী নজৰদাৰীৰ জৰিয়তে ইয়াক কেনেদৰে ৰোধ কৰিব? দ্বিতীয়তে, এই আইনৰ দ্বাৰা প্ৰভাৱিত হোৱা পৰিয়ালসমূহ, বিশেষকৈ তাত জড়িত মহিলা আৰু সন্তানসকলৰ সুৰক্ষা আৰু কল্যাণৰ বাবে ৰাজ্য চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিব? তৃতীয়তে, এই আইনে সামাজিক সম্প্ৰীতিৰ ওপৰত কেনে প্ৰভাৱ পেলাব? ইয়াৰ দ্বাৰা এক বিশেষ সম্প্ৰদায়ৰ লোকসকল লক্ষ্যবস্তু হৈ পৰিব বুলি কোনো উদ্বেগ নাই নে? এই সকলোবোৰ প্ৰশ্নই যুক্তিসঙ্গত। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে আইনখন অপ্ৰয়োজনীয়। বৰঞ্চ ইয়াৰ অৰ্থ হ'ল যে এই আইনক কেৱল নিষেধাজ্ঞাৰ সীমাত সীমাবদ্ধ নৰখাকৈ ইয়াক এখন সামগ্ৰিক নীতি হিচাপে গঢ় দিব লাগিব। বহুবিবাহ নিষিদ্ধ কৰাৰ লগতে সমাজত নাৰীশিক্ষা, নাৰীৰ অৰ্থনৈতিক স্বাৱলম্বন, আৰু সামাজিক সজাগতা বৃদ্ধিৰ দিশত জোৰ দিব লাগিব। যিসকল মহিলা ইতিমধ্যে এনে ব্যৱস্থাত জীৱন কটাই আছে, তেওঁলোকৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰাটো অতি প্ৰয়োজন। মুখ্যমন্ত্ৰীয়ে আগবঢ়োৱা পৰৱৰ্তী পদক্ষেপসমূহ — যেনে ইউনিফৰ্ম চিভিল ক'ড (UCC) আৰু মহিলাৰ ন্যূনতম বিবাহৰ বয়স ২১ বছৰলৈ বৃদ্ধি কৰা — অতি সকাৰাত্মক। এই কথাই প্ৰমাণ কৰে যে ৰাজ্য চৰকাৰখন সামাজিক সংস্কাৰৰ এক দীৰ্ঘম্যাদী আৰু সুকীয়া দৃষ্টিভংগীৰে আগবাঢ়িব বিচাৰিছে। বিবাহ এখন সামাজিক চুক্তি, ইয়াক পাচলি কিনাৰ দৰে ব্যৱহাৰ কৰাৰ কোনো অবকাশ নাই। মুখ্যমন্ত্ৰীৰ এই কথাষাৰে এটা গভীৰ সামাজিক সত্যকেই স্পৰ্শ কৰিছে। বহুবিবাহ নিষিদ্ধকৰণৰ এই আইন এখন আধুনিক, প্ৰগতিশীল আৰু নাৰীমুখী সমাজ গঠনৰ দিশত অসমে লোৱা এক নিৰ্ণায়ক পদক্ষেপ। ইয়াৰ সফল বাস্তৱায়নতহে আমাৰ সমাজত নাৰীৰ মৰ্যাদা আৰু সম-অধিকাৰৰ ভেটি দৃঢ় হ'ব। সকলো ধৰ্ম, সকলো সম্প্ৰদায়ে এই আইনক এখন সুৰক্ষিত আৰু সমতাপূৰ্ণ ভৱিষ্যত গঢ়াৰ সঁজুলি হিচাপে গ্ৰহণ কৰাটো সময়ৰ অনুৰোধ। আজিৰ এই দিনাই অসমৰ নাৰীসকলে লাভ কৰা 'নতুন স্বাধীনতা' যাতে সঁচাকৈয়ে তেওঁলোকৰ জীৱনত ইতিবাচক পৰিৱৰ্তন আনি দিয়েই, সেই দিশত ৰাজ্য, সমাজ আৰু প্ৰত্যেক ব্যক্তিৰে দায়বদ্ধতা অতি প্ৰয়োজন।

◀◀ এটা কথা স্বীকাৰ কৰিবই লাগিব যে ৰাজনৈতিক দল হিচাপে বিজেপিৰ এই কৌশল অত্যন্ত বিচক্ষণ আৰু আধুনিক। তেওঁলোকে জনতাৰ নাড়ী স্পন্দন বুজি পায় আৰু সেইমতে ঔষধ প্ৰয়োগ কৰে। কিন্তু 'আমি সাধাৰণ জনতা' হিচাপে আমাৰ দায়িত্ব কি? আমি কেৱল কোনোবাই ৰচনা কৰা আখ্যানৰ চৰিত্ৰ হৈয়েই থাকিম নে, নে নিজৰ বিচাৰ-বুদ্ধি প্ৰয়োগ কৰি সত্যক অন্বেষণ কৰিম? চৰকাৰী আঁচনিৰ সুফল লোৱাটো আমাৰ অধিকাৰ, কিন্তু তাৰ বিনিময়ত নিজৰ প্ৰশ্ন কৰাৰ অধিকাৰ বিসৰ্জন দিয়াটো মুৰ্খামি। আৱেগৰ বশৱৰ্তী নহৈ, যুক্তি আৰু তথ্যৰ আধাৰত চৰকাৰক বিশ্লেষণ কৰা, সলনি হৈ থকা আখ্যানবোৰৰ অন্তৰালৰ প্ৰকৃত উদ্দেশ্য বুজি পোৱা আৰু সমাজত সম্প্ৰীতি বৰ্তাই ৰখাতো আমাৰেই দায়িত্ব। ▶▶

## ৰাজনৈতিক আখ্যানৰ পট-পৰিৱৰ্তন

# বিজেপিৰ কৌশল আৰু সাধাৰণ জনতা

চন্দন কুমাৰ নাথ

সাম্প্ৰতিক ভাৰতীয় ৰাজনীতিত 'নেৰেটিভ' বা 'আখ্যান' শব্দটোৱে এক বিশেষ গুৰুত্ব লাভ কৰিছে। ৰাজনীতি এতিয়া কেৱল উন্নয়ন বা প্ৰতিশ্ৰুতিৰ মাজত আৱদ্ধ হৈ থকা নাই; বৰঞ্চ ই হৈ পৰিছে জনমানসত এক নিৰ্দিষ্ট ধাৰণা সৃষ্টি কৰাৰ এক নিৰন্তৰ প্ৰক্ৰিয়া। এই ক্ষেত্ৰত বৰ্তমানৰ শাসকীয় দল ভাৰতীয় জনতা পাৰ্টিৰ (বিজেপি) ভূমিকা আৰু দক্ষতা গৱেষণাৰ এক আকৰ্ষণীয় বিষয়। এটি ৰাজনৈতিক দলে কেনেকৈ সময়, পৰিস্থিতি আৰু জনতাৰ আৱেগৰ লগত সংগতি ৰাখি নিজৰ আখ্যান বা নেৰেটিভ সলনি কৰে আৰু আমি সাধাৰণ জনতাই কেনেকৈ সেই পৰিৱৰ্তিত ধাৰাৰ অংশীদাৰ হৈ পৰোঁ, সেয়া এক গভীৰ বিশ্লেষণৰ দাবী কৰে। বিজেপিৰ উত্থান আৰু তেওঁলোকৰ ধাৰাবাহিক সফলতাৰ আঁৰত থকা মূল মন্ত্ৰটোৱেই হ'ল পৰিস্থিতি সাপেক্ষে ৰাজনৈতিক আখ্যানৰ দ্ৰুত পৰিৱৰ্তন আৰু তাৰ সফল বাস্তৱায়। ২০১৪ চনৰ পৰা আজিলৈকে যদি আমি লক্ষ্য কৰোঁ, তেন্তে দেখিম যে তেওঁলোকৰ প্ৰচাৰৰ মূল বিষয়বস্তু কেতিয়াও স্থবিৰ হৈ থকা নাই। ২০১৪ চনত যেতিয়া নৰেন্দ্ৰ মোদীয়ে শাসনভাৰ লৈছিল, তেতিয়া মূল আখ্যান আছিল 'বিকাশ' আৰু 'দুৰ্নীতিমুক্ত ভাৰত'। কিন্তু সময়ৰ লগে লগে, বিশেষকৈ ২০১৯ চনৰ নিৰ্বাচনৰ প্ৰাক্-মুহূৰ্তত, সেই আখ্যান সলনি হ'ল 'জাতীয়তাবাদ' আৰু 'সুৰক্ষা'লৈ। পুলৱামা আক্ৰমণ আৰু বালাকোটৰ দৰে ঘটনাই উন্নয়নৰ ধাৰণাটোৰ স্থান লৈছিল আৰু সাধাৰণ জনতাৰ মনত দেশপ্ৰেমৰ এক তীব্ৰ জোৱাৰ আনিবলৈ সক্ষম হৈছিল। এই নমনীয়তাই দলটোক এক বিশেষ সুবিধা প্ৰদান কৰে, যিটো বিৰোধী দলবোৰৰ ক্ষেত্ৰত সচৰাচৰ দেখা নাযায়।

বৰ্তমান সময়ত বিজেপিৰ এই আখ্যান নিৰ্মাণ প্ৰক্ৰিয়াটোত দুটা নতুন শব্দই প্ৰাদান্য লাভ কৰিছে- 'হিন্দুত্ব' আৰু 'লাভাৰ্থী' (হিতাধিকাৰী)। এফালে সাংস্কৃতিক জাতীয়তাবাদৰ জৰিয়তে ধৰ্মীয় মেৰুকৰণৰ এক পৰিৱেশ সৃষ্টি কৰা হৈছে, যিয়ে এক বৃহৎ সংখ্যক ভোটাৰক আৱেগিকভাৱে একত্ৰিত কৰিছে। আনহাতে, চৰকাৰী আঁচনিৰ পোনপটীয়া সুবিধা লাভ কৰা এক বিশাল 'হিতাধিকাৰী' শ্ৰেণী সৃষ্টি কৰা হৈছে। এই হিতাধিকাৰী শ্ৰেণীটোৱে জাতি, ধৰ্ম বা পুৰণি ৰাজনৈতিক আনুগত্যৰ ঊৰ্ধ্বত গৈ কেৱল চৰকাৰী সুবিধাৰ বাবে শাসকীয় দলৰ প্ৰতি অনুগত হৈ পৰিছে। অসমৰ দৰে ৰাজ্যত 'অৰুণোদয়'ৰ দৰে আঁচনিৰ সফলতাই এই কথা প্ৰমাণ কৰে। আশ্চৰ্যজনক কথাটো হ'ল, চৰকাৰে এই আঁচনিসমূহক কেৱল কল্যাণকামী ব্যৱস্থা বুলি নকৈ, তাক দলীয় সফলতাৰ এক অংশ হিচাপে প্ৰক্ষেপ কৰিবলৈ সক্ষম হৈছে। অৰ্থাৎ, চৰকাৰী ধনৰ বিতৰণক তেওঁলোকে ৰাজনৈতিক আখ্যানৰ এক শক্তিশালী সঁজুলিলৈ ৰূপান্তৰিত কৰিছে।

অসমৰ প্ৰেক্ষাপটত এই আখ্যান সলনিৰ প্ৰক্ৰিয়াটো আৰু অধিক স্পষ্ট। ২০১৬ চনত অসমত যেতিয়া বিজেপি ক্ষমতালৈ আহিছিল, তেতিয়া মূল শ্লোগান আছিল 'জাতি-মাটি-ভেটি'ৰ সুৰক্ষা। খিলঞ্জীয়া মানুহৰ অস্তিত্বৰ সংকটক তেওঁলোকে মূলধন কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত, বিশেষকৈ নাগৰিকত্ব সংশোধনী আইন (কা) বিৰোধী আন্দোলনৰ সময়ত সৃষ্টি হোৱা প্ৰত্যাহ্বান মোকাবিলা কৰিবলৈ তেওঁলোকে দ্ৰুতগতিত নিজৰ কৌশল সলনি কৰিলে। তেতিয়া 'জাতি-মাটি-ভেটি'ৰ স্থানত 'বিকাশ' আৰু 'ডাবল ইঞ্জিন চৰকাৰ'ৰ ধাৰণাটো আগুৱাই দিয়া হ'ল। তাৰ লগে লগে ধৰ্মীয় মেৰুকৰণৰ তীব্ৰতা বৃদ্ধি কৰি এক নিৰ্দিষ্ট সম্প্ৰদায়ৰ বিৰুদ্ধে জনমত গঠন কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল।



এই কৌশলে কেৱল তেওঁলোকৰ পুৰণি ভোটবেংকক সুৰক্ষিতই নকৰিলে, বৰঞ্চ নতুন ভোটাৰক আকৰ্ষণ কৰাতো সহায় কৰিলে। আমি সাধাৰণ জনতাই এই দ্ৰুত পৰিৱৰ্তনক প্ৰশ্ন কৰাৰ পৰিৱৰ্তে, নতুনকৈ সৃষ্টি কৰা শত্ৰুৰ ধাৰণা আৰু উন্নয়নৰ সপোনৰ মাজত বিলীন হৈ গ'লোঁ।

এই সমগ্ৰ প্ৰক্ৰিয়াটোত প্ৰযুক্তি আৰু সামাজিক মাধ্যমৰ ভূমিকা অনস্বীকাৰ্য। বিজেপিৰ 'আই টি চেল' আৰু তেওঁলোকৰ জনসংযোগ ব্যৱস্থা ইমানেই শক্তিশালী যে তেওঁলোকে যিকোনো এটা সৰু খবৰক ৰাষ্ট্ৰীয় পৰ্যায়ৰ চৰ্চাৰ বিষয় কৰি তুলিব পাৰে, অথবা যিকোনো গুৰুতৰ বিষয়ক জনমানসৰ পৰা আঁতৰাই পেলাব পাৰে। হোৱাটছএপ, ফেচবুক আৰু টুইটাৰৰ জৰিয়তে তেওঁলোকে এনে এক 'ইক' চেম্বাৰ' (Echo Chamber) সৃষ্টি কৰে, য'ত এজন সাধাৰণ মানুহে কেৱল সেইখিনিহে দেখে বা শুনে, যিখিনি দলে তেওঁলোকক দেখুৱাব বিচাৰে। এই নিৰন্তৰ প্ৰচাৰে মানুহৰ মনস্তত্ত্বত গভীৰ প্ৰভাৱ পেলায়। সত্য আৰু অসত্যৰ মাজৰ সীমাৰেখাডাল ধুসৰ হৈ পৰে। আমি যেতিয়া এটা নিৰ্দিষ্ট আখ্যান বাৰে বাৰে শুনি থাকোঁ, তেতিয়া আমাৰ অবচেতন মনে তাক সত্য বুলি মানি ল'বলৈ আৰম্ভ কৰে। এইদৰেই গেছৰ দাম বৃদ্ধি বা নিবনুৱা সমস্যাৰ দৰে বাস্তৱ সমস্যাবোৰ আৱেগিক বিষয়বস্তুৰ তলত চাপা পৰি যায়।

এজন লেখক আৰু বিশ্লেষক হিচাপে মই ভাবোঁ যে এই আখ্যান নিৰ্মাণৰ খেলখনত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে সাধাৰণ জনতাৰ বিচাৰ-বুদ্ধি। আমি ক্ৰমান্বয়ে দৰ্শকৰ পৰা উপভোক্তালৈ ৰূপান্তৰিত হৈছোঁ। ৰাজনৈতিক দল এটাই যেতিয়া ধৰ্মৰ কথা কয়, আমি ধৰ্মৰ নামত উত্তেজিত হওঁ; যেতিয়া তেওঁলোকে যুদ্ধৰ কথা কয়, আমি যুদ্ধৰ সমৰ্থনত চিঞৰোঁ। কিন্তু আমি খুব কমেইহে প্ৰশ্ন কৰোঁ যে আমাৰ দৈনন্দিন জীৱনৰ মৌলিক সমস্যাবোৰৰ সমাধান ক'ত? বিজেপিৰ এই কৌশলী আখ্যানে আমাক এনেদৰে আচ্ছন্ন কৰি ৰাখিছে যে বিৰোধী দলৰ দুৰ্বলতা বা বিকল্পৰ অভাৱৰ দোহাই দি আমি শাসকীয় পক্ষৰ সকলো কাম-কাজক বিনা প্ৰশ্নই গ্ৰহণ কৰি লৈছোঁ। গণতন্ত্ৰৰ বাবে ই এক শুভ লক্ষণ নহয়। কাৰণ, এখন সুস্থ গণতন্ত্ৰত চৰকাৰৰ কাম হ'ল সেৱা কৰা আৰু জনতাৰ কাম হ'ল প্ৰশ্ন কৰা। কিন্তু বৰ্তমানৰ এই 'নেৰেটিভ'ৰ যুঁজত জনতাই প্ৰশ্ন কৰাৰ ক্ষমতা হেৰুৱাই পেলাইছে আৰু চৰকাৰে উত্তৰ দিয়াৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাই। আন এক গুৰুত্বপূৰ্ণ দিশ হ'ল এই আখ্যানবোৰৰ জৰিয়তে সমাজত সৃষ্টি হোৱা বিভাজন। 'আমি' বনাম 'সিহঁত', এই ধাৰণাটো বিজেপিৰ ৰাজনৈতিক কৌশলৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। কেতিয়াবা এই বিভাজন ধৰ্মৰ আধাৰত হয়, কেতিয়াবা ভাষাৰ আধাৰত, আকৌ কেতিয়াবা 'দেশপ্ৰেমী' আৰু 'দেশদ্ৰোহী'ৰ নামত। সাধাৰণ জনতাই এই বিভাজনৰ ৰাজনীতিত ভাহি গৈ নিজৰ চুবুৰীয়া, বন্ধু বা সহকৰ্মীৰ প্ৰতিও সন্দেহৰ দৃষ্টিৰে চাবলৈ আৰম্ভ কৰিছে। ই আমাৰ সামাজিক গাঁথনিটোক দুৰ্বল কৰি পেলাইছে। ৰাজনৈতিক ক্ষমতা আহিব আৰু যাব, কিন্তু সমাজত এবাৰ বিয়পি পৰা এই বিদ্বেষৰ বিষবাষ্প নাইকিয়া কৰিবলৈ কেইবাটাও প্ৰজন্মৰ প্ৰয়োজন হ'ব।

শেষত, এটা কথা স্বীকাৰ কৰিবই লাগিব যে ৰাজনৈতিক দল হিচাপে বিজেপিৰ এই কৌশল অত্যন্ত বিচক্ষণ আৰু আধুনিক। তেওঁলোকে জনতাৰ নাড়ী স্পন্দন বুজি পায় আৰু সেইমতে ঔষধ প্ৰয়োগ কৰে। কিন্তু 'আমি সাধাৰণ জনতা' হিচাপে আমাৰ দায়িত্ব কি? আমি কেৱল কোনোবাই ৰচনা কৰা আখ্যানৰ চৰিত্ৰ হৈয়েই থাকিম নে, নে নিজৰ বিচাৰ-বুদ্ধি প্ৰয়োগ কৰি সত্যক অন্বেষণ কৰিম? চৰকাৰী আঁচনিৰ সুফল লোৱাটো আমাৰ অধিকাৰ, কিন্তু তাৰ বিনিময়ত নিজৰ প্ৰশ্ন কৰাৰ অধিকাৰ বিসৰ্জন দিয়াটো মুৰ্খামি। আৱেগৰ বশৱৰ্তী নহৈ, যুক্তি আৰু তথ্যৰ আধাৰত চৰকাৰক বিশ্লেষণ কৰা, সলনি হৈ থকা আখ্যানবোৰৰ অন্তৰালৰ প্ৰকৃত উদ্দেশ্য বুজি পোৱা আৰু সমাজত সম্প্ৰীতি বৰ্তাই ৰখাতো আমাৰেই দায়িত্ব। যেতিয়ালৈকে আমি এই সজাগতা নেদেখুৱাম, তেতিয়ালৈকে ৰাজনৈতিক আখ্যানবোৰ সলনি হৈ থাকিব, কিন্তু আমাৰ ভাগ্যৰ কোনো সলনি নহ'ব।

## দেৰগাঁৱৰ একাদশ অসম আৰক্ষী বাহিনী -

শংকৰ দেৱ

অসম ৰাজ্যৰ আইন-শৃংখলা ৰক্ষা কৰা এক অন্যতম মুখ্য বাহিনী হৈছে একাদশ অসম আৰক্ষী বাহিনী (11th APBn)। ই অসম আৰক্ষীৰ অধীনস্থ এক গৌৰৱোজ্জ্বল বাহিনী যি দীৰ্ঘদিন ধৰি ৰাজ্য তথা ৰাষ্ট্ৰৰ সুৰক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি আহিছে। অসমৰ আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত অপৰিহাৰ্য অৱদান ৰাখি অহা এই একাদশ অসম আৰক্ষী বাহিনী (11th APBn) ১৯৭৯ চনৰ ০৫ জানুৱাৰীৰ দিনা গঠন হৈছিল। এই বাহিনীৰ মুখ্য কাৰ্য্যালয় গোলাঘাট জিলাৰ দেৰগাঁৱত অৱস্থিত।

এই একাদশ অসম আৰক্ষী বাহিনীৰ প্ৰথম গৰাকী অধিনায়ক আছিল শ্ৰী পি: কে: চাংকাকতি, ভাৰতীয় আৰক্ষী সেৱা বিষয়া আৰু বৰ্তমানৰ অধিনায়ক গৰাকী হ'ল শ্ৰী চিত্ৰেণ গগৈ, অসম আৰক্ষী সেৱা বিষয়া। এতিয়ালৈকে মুঠতে ৩১ গৰাকী অধিনায়কে এই বাহিনীত সেৱা আগবঢ়াবলৈ সক্ষম হৈছে।

একাদশ বাহিনীৰ অধীনত থকা জোৱানসকলে কঠোৰ শৃংখলাৰে দৈনন্দিন নিজৰ কৰ্মৰ পৰিচালনা, দৈনিক পৰ্যায়ত শাৰীৰিক অনুশীলন, অস্ত্ৰচালনা, মনস্তাত্বিক প্ৰশিক্ষণ আদিৰে বৰ্তি থাকে। লাচিত বৰফুকন পুলিচ একাডেমী, দেৰগাঁৱৰ সৈতেও এই বাহিনীৰ সমন্ধ আৰু সহযোগিতা অতিকৈ প্ৰয়োজনীয় আৰু বিশেষ গুৰুত্বপূৰ্ণ।

একাদশ বাহিনীৰ আৰক্ষী বিষয়াসকলে সময়োনুযায়ী বিভিন্ন স্থানত আইন-শৃংখলা ৰক্ষা, বিক্ষোভ নিয়ন্ত্ৰণ আদি সাহসিকতাৰে কৰ্ম সম্পাদনা কৰা পৰিলক্ষিত হৈছে। এই বাহিনীৰ বিভিন্ন উল্লেখযোগ্য কৰ্তব্য সমাধান কৰি সুনাম কঢ়িয়াই অনাত সফল হৈছে, যেনেকৈ ১৯৯০ চনৰ পৰা ১৯৯৯ চনৰ ভিতৰত আলফা বিৰোধী বিভিন্ন অভিযানত অংশগ্ৰহণ, বহু অস্ত্ৰ আৰু সন্দেহভাজন বিচ্ছিন্নতাবাদী আটক,

বানপানীৰ সমস্যাৰ সময়ত উদ্ধাৰ অভিযান, আজিও দেশৰ ভিন্ন স্থানত প্ৰায় ১৪টা BOP ত কৰ্মৰত হৈ থকা জোৱানে নিজৰ নিজৰ দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে পালন কৰাত সক্ষম হৈছে ইত্যাদি। ইয়াৰোপৰি নিজ কৰ্তব্য আৰু দায়িত্ব সুন্দৰকৈ পালন কৰাৰ বাবে এই বাহিনীৰ বহুজনে ৰাজ্যিক ভিত্তিত আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত পুৰস্কিত হোৱা পৰিলক্ষিত হৈছে। যেনেকৈ President's Medal for Gallantry Award, Chief Minister's Medal, DG Commendation Medal ইত্যাদি ইত্যাদি লাভ কৰিবলৈ সক্ষম হৈছে। নিজৰ কৰ্তব্য পালনৰ মাজতেই এই বাহিনীৰ সদস্যসকলে ৰাজ্যিক ভিত্তিত




তথা ৰাষ্ট্ৰীয় পৰ্যায়ত ক্ৰীড়াৰ সৈতেও জড়িত হৈ থকাৰ দিশ পৰিলক্ষিত হৈছে।

এই বাহিনীৰ পৰিয়ালৰ আৱাসিক স্থানত চিকিৎসালয়, বিদ্যালয়, চৰকাৰী বাণিজ্যিক কেন্দ্ৰ আদি স্থাপনৰ মাজেৰে আৰক্ষীৰ পৰিয়ালৰ জনকল্যাণমূলক আঁচনি সুন্দৰ বাবে পৰিচালিতৰ ব্যৱস্থা অৱলম্বন কৰা দেখা পোৱা যায়। চৌহদৰ বাহিৰলৈ অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ বাবে আজিও চৰকাৰী যান-বাহনৰ ব্যৱস্থা ৰখাৰ ব্যৱস্থা পৰিলক্ষিত হয়। বিশেষকৈ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিতে লাগি থকাৰ বাবে এই আৰক্ষী বাহিনীৰ প্ৰতি গৰাকী আৰক্ষী বিষয়াৰ লগতে তেওঁলোকৰ পৰিয়ালৰ ল'ৰা-ছোৱালীকে ধৰি সকলোৰে নিজ নিজ কৰ্ম সম্পন্ন কৰাত যাতায়াতৰ বাবে বৰ সুবিধাজনক।

শেষান্তৰত দাঁতিতে লাগি থকা নেঘেৰিটিং চাহ বাগিচাৰ সৌন্দৰ্য আৰু প্ৰদূষণ মুক্ত সেউজ প্ৰকৃতিৰ সৌন্দৰ্যৰে ভৰা প্ৰতিকূল পৰিৱেশত থকা দেৰগাঁৱৰ এই গৌৰৱময় একাদশ অসম আৰক্ষী বাহিনীয়ে ১৯৭১ চনৰ পৰা ২০২৫ চনলৈকে অসমবাসীৰ শান্তি, সুৰক্ষা আৰু আইন শৃংখলা বজাই ৰখাত সফলতা অৱলম্বন কৰিব পাৰিছে। সাহস, নীতি আৰু সমাজসেৱাৰ এক আদৰ্শ মডেল হিচাপে এই বাহিনীটোৱে আগন্তুক প্ৰজন্মৰ বাবে অনুপ্ৰেৰণা হৈ থাকিব। দেৰগাঁৱৰ একাদশ অসম আৰক্ষী বাহিনী কেৱল এটি অস্ত্ৰধাৰী বাহিনীয়েই নহয়, ই হৈছে অসমীয়াৰ গৌৰৱ, শৃংখলা আৰু সমাজসেৱাৰ এক প্ৰতিক। দেৰগাঁৱৰ একাদশ বাহিনী স্থানীয় জনগণৰ সৈতে সু-সম্পৰ্ক বজাই ৰাখি ৰাজহুৱা অনুষ্ঠান, বৃক্ষৰোপণ অভিযান, ৰক্তদান শিবিৰ আদি আয়োজনৰ জৰিয়তে জনসচেতনতা আদি বজাই ৰাখিছে। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিতে লাগি থকা প্ৰাচীনতম বুধবৰীয়া বজাৰৰ অধিক জনসমাগমৰ পৰিৱেশৰ সুন্দৰ নিয়ন্ত্ৰণ, নিজৰ এলেকাত তথা স্থানীয় পৰিৱেশত হোৱা আনুষ্ঠানিক ভাৱে জাতীয় উৎসৱ বিহু, দুৰ্গা পূজা বা অন্যান্য দিৱস আদি উদযাপনৰ সময়ত নিজৰ এলেকাৰ লগতে চহৰখনত সুৰক্ষাৰ দায়িত্ব সুন্দৰকৈ পালন কৰি আহিছে। ইয়াৰোপৰি দেৰগাঁৱৰ বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ত NCC, Scout—Guides বা ক্ৰীড়া অনুশীলনক সমৰ্থন জনাই আহিছে। ভৱিষ্যতত এই বাহিনীটোৱে ৰাজ্যৰ লগতে ৰাষ্ট্ৰীয় পৰিসৰতো অধিক গৌৰৱ কঢ়িয়াই আনিব বুলি আশা কৰা যায়।

# 'বৈচিত্ৰ্যৰ মাজত ঐক্য'ৰ পথ কোনফালে?

টুৱাৰাম দত্ত

'অনৈক্যৰ মাজত ঐক্য' অথবা 'বৈচিত্ৰ্যৰ মাজত ঐক্য' আদি কথাবিলাক শুনিলে মন ভাল লাগি যায়। কিন্তু বাস্তৱিক দৃষ্টিভংগীৰে বিচাৰ কৰিলে এনে লাগে যেন ইবিলাক কিতাপৰ পাততেই আৱদ্ধ হৈ থকা একো একোটা নিৰৰ্থক সংজ্ঞা, যাৰ কোনো প্ৰায়োগিক মূল্য নাই। সৰ্বভাৰতীয় পটভূমিলৈ নোযোৱাকৈ অসম বা উত্তৰ-পূৰ্বৰ পটভূমিতেই কথাবিলাক আলোচনা কৰোঁচোন।

আমাৰ অসমৰ বাৰেৰহনীয়া বিভিন্ন জনগোষ্ঠীৰ কথাকেই ভাবোচোন। অজস্ৰ অনৈক্য আৰু বৈচিত্ৰ্যৰ মাজত বিভিন্ন জনগোষ্ঠীৰ মাজৰ পাৰস্পৰিক ঐক্য আজিৰ সময়ৰ অতিশয় প্ৰয়োজনীয় আৰু প্ৰধান দাবী। কিন্তু তাৰ বিপৰীতে এতিয়া পৰস্পৰৰ মাজত সন্দেহ, সংশয় আৰু অবিশ্বাসৰ পয়োভৰ। ১৯৪৭ চনৰ অসম টুকুৰা-টুকুৰ হৈ তাৰ পূৰ্বৰ আয়তনৰ দহ ভাগৰ এক অংশমান হ'ল। আজি তাকো পুনৰ খণ্ডিত কৰিবলৈ দাবী উঠিছে। বড়ো, কাৰ্বি, মিছিং আদিৰ লগত কোঁচ, টাই-আহোম ইত্যাদিৰ ভাষা বিষয়ক, জনজাতিকৰণ বিষয়ক আদি কথা লৈ ভুল-বুজাবুজি, মত-বিৰোধ, ভেদাভেদ আদি তুংগত।

আচলতে আমাৰ মূল সংকটটো হ'ল বিশ্বাসৰ সংকট। বিশ্বাসৰ সংকটে সৃষ্টি কৰা ভয় আৰু শংকাই আমাক নিৰাপত্তাৰ আশাত আন্দোলনৰ পথ লবলৈ বাধ্য কৰিছে। সকলোৰে এতিয়া বেলেগে থকাৰ ইচ্ছা, আঁতৰি যোৱাৰ প্ৰৱণতা। প্ৰকৃত সত্যটো হ'ল জনগোষ্ঠীবোৰে আজি সমন্বয়ৰ প্ৰয়োজনকে নস্যাৎ কৰিছে।

ভালদৰে চালে দেখিব, আজি বিভিন্ন জনগোষ্ঠীৰ মাজত বিবাদ হ'লে আমি দিল্লীৰ মুখলৈ সমাধানৰ সহায় আশা কৰি থাকো। কথাবিলাক কিমান স্পৰ্শকাতৰ হ'লে, আমাৰ মাজৰ ব্যৱধান কিমান গভীৰ হ'লে দিল্লীয়ে হস্তক্ষেপ কৰিবলগীয়া পৰিৱেশ হয় সি আজিৰ দিনত সকলো পক্ষৰ বাবে চিন্তনীয় হোৱা উচিত। আমি কি কৰিব পাৰো বা কি কৰা উচিত।

আমাৰ সাহিত্য, আমাৰ কথাছবি, আমাৰ কাকত-পত্ৰ আদিয়ে এই বিষয়ত কি ভূমিকা লব পাৰে? আমাৰ ৰাজ্যখনৰ বাতৰি কাকত কেইখনলৈকে চাবচোন। ত্ৰিপুৰা, অৰুণাচল, নগালেণ্ড, মণিপুৰ আদিৰ বাতৰি কিমান, কেনেকৈ, কেনেকুৱা গুৰুত্বৰে প্ৰকাশ পায়। নাগালিম মানচিত্ৰত যে অসমৰ অংশ সোমাইছে বা মাজে মাজে অসম-নগালেণ্ড সীমা সমস্যাৰ সৃষ্টি হয় তাৰ বাবে নগালেণ্ডৰ জনতাৰ মনৰ ভাৱক লৈ কেতিয়াবা কিবা লেখা প্ৰকাশ পাইনে? কোনোবাই ডিমাপুৰ, কহিমালৈ গৈ তাৰ নাগৰিকৰ মাজত সোমাই কিবা তথ্যভিত্তিক লেখা বা ৰিপোৰ্ট তৈয়াৰ কৰি পাইছেনে? বৃহৎ নদী বান্ধক লৈ আমি তীব্ৰ আন্দোলন কৰাৰ সময়ত অৰুণাচল বাসীৰ মনৰ খবৰ কি আমি জানিব বিচাৰিচোনে?

আমাৰ কাকত-পত্ৰত বিভিন্ন জনগোষ্ঠী, উত্তৰ-পূবৰ বিভিন্ন ৰাজ্যৰ খবৰ, মতামত গুৰুত্ব সহকাৰে প্ৰকাশ পাবই লাগিব। অন্যথা এতিয়াৰ গতিত আমি আমাৰ উগ্ৰ জাতীয়তাবাদী উন্নাসিক মনোভাৱ প্ৰকাশ কৰি থাকিলে সমন্বয় সুদুৰ-পৰাহত হৈয়েই থাকিব। আমাৰ বাতৰি কাকত বিলাকে উত্তৰ-পূবৰ বিভিন্ন ৰাজ্যত আৱাসিক সাংবাদিকৰ ব্যৱস্থা কৰিব লাগিব।

গৌতম বৰাই কাৰ্বি ভাষাত 'ৰশ্ববিপু' কথাছবি নিৰ্মাণ কৰিছিল। বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয়ক লৈ চিনেমা নিৰ্মাণ এতিয়া প্ৰয়োজনীয় হৈ পৰিছে। আমাৰ চিনেমা জগতৰ বৰ্তমান বেয়া দিন চলি আছে বুলি কয় থকা হৈ যদিও বাৰেভচহু টুলুঙা বিষয়ৰ চিনেমা কিন্তু নিৰ্মাণ হৈয়ে আছে।

আমাৰ সাহিত্য, আমাৰ সংগীত, আমাৰ কথাছবি সকলো মাধ্যমে উত্তৰ-পূবৰ বিভিন্ন জনগোষ্ঠীৰ ভুল-বুজাবুজি, ভেদাভেদ, উচ্চ-নীচৰ চেতনা দূৰ কৰি সমন্বয় সাধন কৰিবই লাগিব। শিল্প, অৰ্থনীতি, ব্যৱসায় আদিত যোগাযোগ, সহযোগিতা থাকিব লাগিব। আমাৰ সকলোৰে মনবিলাক বহল কৰিব লাগিব। আমি ব্ৰতী হব লাগিব 'বৈচিত্ৰ্যৰ মাজত ঐক্য'ৰ সাধনাত।

# বহুবিবাহ প্ৰতিৰোধৰ লক্ষ্যৰে বিধানসভাত গৃহীত বিধেয়ক

সকলোৰে বাবে প্ৰযোজ্য হ'ব। হিন্দু, মুছলমান, খ্ৰীষ্টান কোনোৰেই এতিয়া বহুবিবাহ কৰিব নোৱাৰিব। ষষ্ঠ অনুসূচীৰ অঞ্চলতো এই আইন প্ৰৱৰ্তনৰ বাবে চেষ্টা চলোৱা হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। বিধেয়কৰ বিৰোধিতা কৰা বিধায়কসকলক কটাক্ষ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "যিসকল মুছলমান বিধায়কে এই বিধেয়কৰ বিৰোধিতা কৰিছে, তেওঁলোকৰ মাজত এজনো পুৰুষ নাই যিয়ে প্ৰকৃততে মুছলমান সমাজক প্ৰতিনিধিত্ব কৰে।" তেওঁ লগতে কয়, "এই আইনে মুছলমানক প্ৰকৃত মুছলমান হ'বলৈ শিকাব। বিবাহ কেৱল পাচলি কিনাৰ দৰে নহয়। সন্তান জন্ম নিদিলে মহিলাক এৰি দ্বিতীয় বিবাহ কৰাটো তেওঁৰ জীৱনৰ সৰ্ববৃহৎ অপমান।" ২০২৩ চনৰ ১২ মে'ত গঠন কৰা উচ্চ ন্যায়ালয়ৰ কমিটীৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাইজৰ পৰা পৰামৰ্শ বিচৰাত বহুবিবাহৰ সমৰ্থনত মাত্ৰ দুখন পত্ৰহে আহিছিল। "যিয়ে প্ৰমাণ কৰে যে ৰাইজে এই অভিশাপৰ পৰা মুক্তি বিচাৰে, "বুলি তেওঁ মন্তব্য কৰে। আগন্তুক দিনৰ পৰিকল্পনাৰ কথা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে, "২০২৬ত যদি জনতাই আমাক পুনৰ ক্ষমতালৈ আনে, তেনেহ'লে মোৰ প্ৰথম অধিৱেশনতে অসমত ইউনিফৰ্ম চিভিল ক'ড (UCC) বলৱৎ কৰিম। মহিলাৰ ন্যূনতম বিবাহৰ বয়সো ২১ বছৰলৈ বৃদ্ধি কৰিম।" বিধেয়ক গৃহীত হোৱাৰ পিছতে সদনৰ বাহিৰত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত কয়, "আজি অসমৰ মহিলাসকলে এক নতুন স্বাধীনতা লাভ কৰিলে। এই বিধেয়ক কোনো ধৰ্মৰ বিৰুদ্ধে নহয়, এয়া মানৱতাৰ পক্ষে।" ৰাজ্যত এতিয়া এই বিধেয়ক ৰাজ্যপালৰ স্বাক্ষৰৰ বাবে অপেক্ষা কৰি আছে। স্বাক্ষৰ হোৱাৰ পিছতে অসম হ'ব ভাৰতৰ প্ৰথমখন ৰাজ্য য'ত বহুবিবাহ সম্পূৰ্ণৰূপে নিষিদ্ধ হ'ব।

# ভোটাৰ তালিকাত বহিঃৰাজ্যৰ লোকক

দলক শক্তিশালী কৰা। চলিত বৰ্ষত আমি বিভিন্ন জিলা ভ্ৰমণ কৰি এই কামত নিয়োজিত হৈ আছোঁ আৰু আগন্তুক দিনতো এই প্ৰক্ৰিয়া অব্যাহত ৰাখিম।" ভোটাৰ তালিকাৰ শুদ্ধিকৰণ প্ৰক্ৰিয়াক লৈ গৌৰৱ গগৈয়ে কেন্দ্ৰীয় নিৰ্বাচন আয়োগৰ নিৰপেক্ষতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰি কয়, "ৰাহুল গান্ধীয়ে বাৰম্বাৰ কৈ আহিছে যে বিজেপিয়ে ভোটাৰ তালিকা শুদ্ধ কৰিব নিবিচাৰে। ভাৰতক আমি বিশ্বৰ আইটি হাব বুলি গৌৰৱ কৰোঁ, আমাৰ আইআইটিৰ স্নাতকসকল বিদেশত গৈ কোম্পানীৰ চিইঅ' হৈছে, তথাপি নিৰ্বাচন আয়োগে এটা ছফ্টৱেৰৰ জৰিয়তে ভুৱা নাম কিয় চিনাক্ত কৰি কাটি পেলাব নোৱাৰে? আধাৰ আৰু এনআৰচি যদি কৰিব পাৰি, তেনেহ'লে ভোটাৰ তালিকাৰ সংশোধনী কিয় নহয়?" তেওঁ লগতে অভিযোগ কৰে, "বহিঃৰাজ্যৰ পৰা বিজেপিৰ লোকক আনি অসমৰ ভোটাৰ তালিকাত নাম ভৰোৱা হৈছে। ইয়াৰ ফলত ২০২৬ৰ বিধানসভা নিৰ্বাচন অসমৰ খিলঞ্জীয়া ৰাইজে নহয়, বহিঃৰাজ্যৰ ভোটাৰে নিৰ্ধাৰণ কৰিব। এইটোৱে অসমৰ জাতি-মাটি-ভেটিৰ প্ৰশ্নক সন্মুখলৈ আনিছে।" মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ তীব্ৰ সমালোচনা কৰি গৌৰৱ গগৈয়ে কয়, "বিজেপিয়ে মিঞা সম্প্ৰদায়ৰ নামত ৰাজনীতি কৰে, কিন্তু আচলতে সৰ্বাধিক ক্ষতি কৰিছে খিলঞ্জীয়া আৰু জনজাতি সম্প্ৰদায়ৰ। প্ৰায় ৪০ হাজাৰ বিঘা জনজাতীয় ভূমি আদানি আৰু আম্বাণীৰ হাতলৈ গতি কৰিছে। মুখ্যমন্ত্ৰীৰ একমাত্ৰ উদ্দেশ্য নিজৰ কুৰ্চি বচোৱা। ৰাইজে এতিয়া সকলো বুজি পাইছে আৰু ২০২৬ত বিজেপিক প্ৰত্যাখ্যান কৰিবলৈ সাজু হৈছে।" ভোটাৰ তালিকা প্ৰস্তুত প্ৰক্ৰিয়াত নিয়োজিত বিষয়াসকলৰ ওপৰত হোৱা চাপৰ কথা উল্লেখ কৰি তেওঁ কয়, "বহিঃৰাজ্যত বহুতো বি এল অ'ই চাপত আত্মহত্যা কৰিছে। অসমতো একেধৰণৰ পৰিস্থিতি সৃষ্টি হৈছে। যিসকল বিষয়াৰ এই কামৰ কোনো অভিজ্ঞতা নাই, তেওঁলোকক দায়িত্ব দিয়া হৈছে। ইয়াৰ ফলত সাধাৰণ ৰাইজৰ মাজত অসন্তোষ বাঢ়িছে।" শেষত গৌৰৱ গগৈয়ে ৰাইজক আহ্বান জনায়, "কংগ্ৰেছৰ ওপৰত চকু থাকিবই। কিন্তু ৰাইজে সজাগ হৈ নিজৰ ভোটাধিকাৰ আৰু অসমৰ ভৱিষ্যত ৰক্ষা কৰিব লাগিব। আমি সকলোকে সচেতন কৰি তুলিম।"

# অৰুণোদয় আঁচনিৰ লাভাৰ্থীসকলৰ বাবে সঁকাহ

নতুন বৰদান ঘোষণা কৰিছে। এইবাৰ ৰাজ্যৰ প্ৰায় ২০ লাখ অৰুণোদয় পৰিয়ালে প্ৰতিটো ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰত ২৫০ টকাকৈ অতিৰিক্ত ৰেহাই লাভ কৰিব। এই সিদ্ধান্তৰ ফলত পৰিয়ালসমূহৰ মাহিলি ব্যয় উল্লেখযোগ্যভাৱে হ্ৰাস পাব বুলি আশা কৰা হৈছে। ইতিমধ্যে অৰুণোদয় আঁচনিৰ অধীনত ৰাজ্যৰ লাভাৰ্থী মহিলাসকলে প্ৰতিমাহে ১, ২৫০ টকাকৈ নিজৰ বেংক একাউণ্টত পোনপটীয়াকৈ লাভ কৰি আহিছে। প্ৰতিমাহৰ ১০ তাৰিখে এই ধন জমা হয়। ইয়াৰ উপৰিও চৰকাৰে সুলভ মূল্যত ডালি, চেনি আৰু নিমখ বিতৰণৰ ব্যৱস্থা কৰি ৰাজ্যৰ লাখ লাখ পৰিয়ালক সকাহ দি আহিছে। চাউলৰ লগতে এই নিত্যপ্ৰয়োজনীয় সামগ্ৰীসমূহৰ সুলভ মূল্যত যোগান ধৰি চৰকাৰে ঘৰুৱা অৰ্থনীতিৰ ওপৰত থকা চাপ কমোৱাৰ প্ৰয়াস অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত এই ঘোষণা প্ৰকাশ কৰি লিখিছে— "আমাৰ সমাজৰ কোনো এখন ঘৰতেই অন্নমুঠি গ্ৰহণৰ ক্ষেত্ৰত সামান্যো অসুবিধা নহয়, তাৰ বাবে আমি সদায় সচেতন। চাউলৰ পাছতে ডালি-চেনি-নিমখৰ ব্যৱস্থা কৰাৰ পিছত এতিয়া ৰাজ্যৰ ২০ লাখ অৰুণোদয় পৰিয়ালৰ মহিলাসকলৰ বাবে প্ৰতিটো গেছ চিলিণ্ডাৰত ২৫০ টকা অতিৰিক্ত ৰেহাইৰ ব্যৱস্থা কৰিলোঁ। এই বিশেষ পদক্ষেপ ৰাজ্যবাসীয়ে সাদৰেৰে গ্ৰহণ কৰিব বুলি মোৰ দৃঢ় বিশ্বাস।" চৰকাৰৰ এই ধাৰাবাহিক পদক্ষেপে মহিলাসকলক কেৱল আৰ্থিক সকাহেই নিদিয়ে, একে সময়তে তেওঁলোকক স্বাৱলম্বী কৰি তুলিবলৈও সহায় কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে। আগন্তুক দিনত বিজেপি চৰকাৰে প্ৰতিশ্ৰুতি অনুসৰি সুলভ মূল্যত খোৱা তেলো যোগান ধৰাৰ ব্যৱস্থা কৰা হ'ব বুলি জানিব পৰা গৈছে। এই নতুন গেছ ৰেহাই আঁচনি কেতিয়াৰ পৰা কাৰ্যকৰী হ'ব সেই সন্দৰ্ভত অতি শীঘ্ৰে বিশদভাৱে ঘোষণা কৰা হ'ব বুলি চৰকাৰী সূত্ৰে প্ৰকাশ।

# দুই কোটিৰো অধিক মৃত ব্যক্তিৰ আধাৰ নম্বৰ নিষ্ক্ৰিয়

মৃত ব্যক্তিৰ আধাৰ নম্বৰ সম্পূৰ্ণৰূপে নিষ্ক্ৰিয় কৰি পেলাইছে। দেশজুৰি চলি থকা এই 'চফাই অভিযান'ৰ মূল লক্ষ্য হৈছে পৰিচয়ৰ অপব্যৱহাৰ আৰু চৰকাৰী কল্যাণমূলক আঁচনিৰ ধনৰ জালিয়াতিৰ পথ চিৰদিনৰ বাবে বন্ধ কৰা। মৃত ব্যক্তিৰ আধাৰ নম্বৰ সক্ৰিয় হৈ থাকিলে প্ৰৱঞ্চকসকলে সেই পৰিচয় ব্যৱহাৰ কৰি পৰিয়ালৰ পেঞ্চন, ৰেচন বা অন্যান্য সুবিধা আত্মসাৎ কৰাৰ সম্ভাৱনা থাকে। এনে অবৈধ কাম ৰোধ কৰিবলৈ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে আধাৰ নম্বৰ নিষ্ক্ৰিয় কৰাটো অতি জৰুৰী বুলি ইউআইডিএআয়ে স্পষ্ট কৰিছে। একে সময়তে সংস্থাটোৱে এই কথাও জনাইছে যে কোনো মৃত ব্যক্তিৰ আধাৰ নম্বৰ কেতিয়াও আন কাৰোবাক পুনৰ আবণ্টন কৰা নহয়। এই বিশাল কাৰ্যসূচী সফল কৰিবলৈ ইউআইডিএআয়ে ভাৰতৰ মহাপঞ্জীয়ক কাৰ্যালয়, বিভিন্ন ৰাজ্যৰ নাগৰিক পঞ্জীয়ন বিভাগ, ৰাজহুৱা বিতৰণ ব্যৱস্থা, ৰাষ্ট্ৰীয় সামাজিক সাহায্য কাৰ্যসূচীৰ লগতে বহুতো চৰকাৰী সংস্থাৰ সৈতে নিয়মীয়াকৈ তথ্য বিনিময় কৰি আহিছে। এতিয়া বেংক, বীমা কোম্পানীকে ধৰি বিত্তীয় খণ্ডৰ সংস্থাসমূহৰ সৈতেও এই প্ৰক্ৰিয়াৰ সৈতে যোগ কৰাৰ কাম তীব্ৰতৰ কৰা হৈছে। সাধাৰণ নাগৰিকৰ সুবিধাৰ কথা মনত ৰাখি চলিত বৰ্ষৰ আৰম্ভণিতে myAadhaar পৰ্টেলত 'পৰিয়ালৰ সদস্যৰ মৃত্যুৰ খবৰ দিয়া' নামৰ এক নতুন সেৱা আৰম্ভ কৰা হৈছে। বৰ্তমান এই সেৱা অসামৰিক পঞ্জীয়ন ব্যৱস্থাৰ সৈতে সংযুক্ত হোৱা পঁচিশখন ৰাজ্য আৰু কেন্দ্ৰশাসিত অঞ্চলত উপলব্ধ হৈছে আৰু অতি শীঘ্ৰে বাকী ৰাজ্যসমূহকো এই ব্যৱস্থাৰ অন্তৰ্ভুক্ত কৰা হ'ব। পৰিয়ালৰ কোনো সদস্যৰ মৃত্যু হ'লে আত্মীয়ই পৰ্টেলত লগইন কৰি নিজৰ পৰিচয় যাচাই কৰাৰ পিছত মৃত ব্যক্তিৰ আধাৰ নম্বৰ, মৃত্যু পঞ্জীয়ন নম্বৰ আৰু প্ৰয়োজনীয় নথিপত্ৰ দাখিল কৰিলে ইউআইডিএআয়ে তথ্য পৰীক্ষা কৰি আধাৰ নম্বৰ নিষ্ক্ৰিয় কৰি দিয়ে। ইউআইডিএআয়ে দেশৰ সকলো আধাৰধাৰীলৈ আহ্বান জনাইছে যে পৰিয়ালৰ কোনো সদস্যৰ মৃত্যু হ'লে মৃত্যু প্ৰমাণপত্ৰ পোৱাৰ লগে লগে myAadhaar পৰ্টেলত এই বিষয়ে জনোৱা হওক। এই সৰু কামটোৱে কেৱল আধাৰৰ তথ্যকোষ সঠিক ৰখাই নহয়, সমাজত পৰিচয় জালিয়াতিৰ পথো সদায়ৰ বাবে বন্ধ কৰি দিয়ে বুলি সংস্থাটোৱে মন্তব্য কৰিছে। এই অভিযানৰ ফলত আধাৰ ব্যৱস্থা এতিয়া বিশ্বৰ ভিতৰতে আটাইতকৈ সঠিক আৰু বিশ্বাসযোগ্য পৰিচয় তথ্যকোষ হিচাপে আৰু দৃঢ়তাৰে আগবাঢ়িছে আৰু চৰকাৰী সম্পদৰ যথাযথ ব্যৱহাৰো নিশ্চিত হৈছে বুলি বিশেষজ্ঞসকলে অভিমত প্ৰকাশ কৰিছে।

# জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলিৰ নামত পেড জালিয়াতি

লোকক গ্ৰেপ্তাৰ কৰিছে। ঘটনাৰ মূল চক্ৰীসহ আৰু এজন এতিয়াও পলাতক হৈ আছে। আৰক্ষীৰ তথ্য অনুসৰি, গ্ৰেপ্তাৰ হোৱা চাৰিজন লোকে ভৱানীপুৰ বিজেপি মণ্ডল সভাপতি দিগন্ত চৌধুৰীৰ নামেৰে জাল পেড তৈয়াৰ কৰি বিভিন্ন দোকান-পোহাৰ আৰু ৰেষ্টুৰেণ্টৰ পৰা ধন সংগ্ৰহ কৰি আছিল। মংগলবাৰে এখন নামী ৰেষ্টুৰেণ্টৰ পৰা ১০ হাজাৰ টকা সংগ্ৰহ কৰাৰ পিছতেই বিষয়টো পোহৰলৈ আহে। ৰেষ্টুৰেণ্ট কৰ্তৃপক্ষই দিগন্ত চৌধুৰীক ফোন কৰি বিষয়টো জানুৱালে আৰু তেওঁ তৎক্ষণাৎ ভৱানীপুৰ থানাত এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত বজালী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ত্ৰিনয়ন ভূঞাৰ নেতৃত্বত এটা বিশেষ দলে দ্ৰুত অভিযান চলাই চাৰিজনক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে জব্দ কৰিছে জাল পেডৰ বহী, ৰচিদ আৰু কেইবাটাও ম'বাইল ফোন। পলাতক অভিযুক্তজনক ধৰিবলৈ অভিযান অব্যাহত আছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে। বিজেপি মণ্ডল সভাপতি দিগন্ত চৌধুৰীয়ে কয়, "মোৰ নাম ব্যৱহাৰ কৰি জুবিন গাৰ্গৰ পৰিয়ালৰ শোকৰ সুযোগ লৈ প্ৰতাৰণা কৰাটো অতি নিন্দনীয় কাম। এনে লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা উচিত।" ইপিনে জুবিন গাৰ্গেও এই ঘটনাৰ কথা জানি অত্যন্ত দুখ প্ৰকাশ কৰিছে আৰু প্ৰতাৰকসকলৰ বিৰুদ্ধে যথোচিত শাস্তিৰ দাবী জনাইছে। বজালী আৰক্ষীয়ে এই গোচৰত প্ৰতাৰণা আৰু জালিয়াতিৰ ধাৰাৰ অধীনত গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে। আৰক্ষীৰ আশংকা, এই দলটোৱে আগতেও একেধৰণৰ প্ৰতাৰণা কৰি থকাৰ সম্ভাৱনা আছে।

# মৃত্যুদণ্ড নহয়, শ্বেখ হাছিনাক ২১ বছৰৰ কাৰাদণ্ড

জৰিমনা আৰু কন্যা ছাইমা ৱাজেদ পুতুলকো ৫ বছৰৰ কাৰাদণ্ডৰ শাস্তি বিহা হৈছে। এই তিনিখন গোচৰৰ মূল অভিযোগ আছিল ঢাকাৰ পূৰ্বাচল অঞ্চলত চৰকাৰী মাটি অবৈধভাৱে নিজৰ আৰু পৰিয়ালৰ নামত আবণ্টন দিয়া। বাংলাদেশৰ দুৰ্নীতিবিৰোধী আয়োগে যোৱা জানুৱাৰীত মুঠ ছটা পৃথক গোচৰ ৰুজু কৰিছিল আৰু বাকী তিনিখনৰ ৰায় ১ ডিচেম্বৰত ঘোষণা কৰা হ'ব। ইতিমধ্যে ২০২৪ চনৰ জুলাইত বাংলাদেশৰ আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধিকৰণে ছাত্ৰ-জনতাৰ চৰকাৰবিৰোধী আন্দোলন দমনৰ সময়ত "মানৱতাৰ বিৰুদ্ধে অপৰাধ"ৰ দোষত শ্বেখ হাছিনাক মৃত্যুদণ্ডৰ শাস্তি ঘোষণা কৰিছে। বৰ্তমান তেওঁসহ পৰিয়ালৰ মূল সদস্যসকল পলাতক অৱস্থাত থকা বাবে এই গোচৰসমূহত কোনো অধিবক্তা উপস্থিত নাছিল। নতুন দিল্লীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে সাপ্তাহিক সংবাদমেলত স্পষ্ট কৰে যে বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰে শ্বেখ হাছিনাৰ প্ৰত্যৰ্পণৰ বাবে কৰা আনুষ্ঠানিক অনুৰোধ ভাৰত চৰকাৰে লাভ কৰিছে আৰু বৰ্তমান সেইটো পৰীক্ষা কৰি চলা হৈছে। জয়ছোৱালে কয়, "হয়, আমি অনুৰোধ লাভ কৰিছোঁ। এইটো চলিত ন্যায়িক আৰু অভ্যন্তৰীণ আইনী প্ৰক্ৰিয়াৰ অংশ। আমি বাংলাদেশৰ শান্তি, গণতন্ত্ৰ, অন্তৰ্ভুক্তি আৰু স্থিতিশীলতাৰ প্ৰতি দায়বদ্ধ আৰু এই বিষয়ত সকলো ৰাষ্ট্ৰীয় অংশীদাৰৰ সৈতে গঠনমূলকভাৱে জড়িত হৈ থাকিম।" ২০২৪ চনৰ ৫ আগষ্টত ছাত্ৰ-জনতাৰ প্ৰচণ্ড আন্দোলনৰ মুখত শ্বেখ হাছিনাই ক্ষমতা এৰি ভাৰতলৈ পলায়ন কৰিছিল। তাৰ পিছত নোবেল বঁটা বিজয়ী মহম্মদ ইউনুছৰ নেতৃত্বত অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন হয় আৰু তেতিয়াৰে পৰা হাছিনাৰ বিৰুদ্ধে একাধিক দুৰ্নীতি আৰু মানৱাধিকাৰ উলংঘাৰ গোচৰৰ তদন্ত আৰু ৰায়দানৰ প্ৰক্ৰিয়া তীব্ৰতৰ হৈছে। বাংলাদেশৰ ৰাজনৈতিক মহলত এই ৰায়ক "ঐতিহাসিক ন্যায় প্ৰতিষ্ঠাৰ প্ৰথম খোজ" বুলি অভিহিত কৰা হৈছে, আনহাতে আন্তৰ্জাতিক পৰ্যবেক্ষকসকলে ভাৰতৰ পৰৱৰ্তী সিদ্ধান্তৰ ওপৰত চকু ৰাখিছে।

# দুৰ্নীতিৰ দোষত পেৰুৰ প্ৰাক্তন ৰাষ্ট্ৰপতিক ১৪ বছৰৰ কাৰাদণ্ড

আদালতে ভিজকাৰাক ৯ বছৰৰ বাবে যিকোনো ৰাজহুৱা পদত অধিষ্ঠিত হ'বলৈ নিষেধাজ্ঞা আৰোপ কৰিছে আৰু বিপুল পৰিমাণৰ জৰিমনা বিহিছে। ৰায় ঘোষণাৰ পিছতে ভিজকাৰাই ছ'চিয়েল মিডিয়া X-ত লিখে, "এয়া ন্যায় নহয়, এয়া প্ৰতিশোধ। তেওঁলোকে মোক ভাঙিব নোৱাৰে।" তেওঁ এই ৰায়ৰ বিৰুদ্ধে উচ্চতৰ আদালতত আপীল কৰিব বুলি স্পষ্ট কৰি দিয়ে আৰু পৃথক বিবৃতিত কয়, "মাফিয়া সদৃশ মিত্ৰজোঁটৰ সন্মুখত থিয় দিয়াৰ বাবে মোক শাস্তি দিয়া হৈছে। মোক পদৰ পৰা আঁতৰাইছে, দলৰ পৰা বহিষ্কাৰ কৰিছে, ৰাজনীতি কৰাত বাধা দিছে আৰু এতিয়া কাৰাগাৰলৈ পঠিয়াইছে। তেওঁলোকে মোক ইমান ভয় কৰে নেকি?" ২০১৮ৰ পৰা ২০২০লৈকে পেৰুৰ ৰাষ্ট্ৰপতি আছিল ভিজকাৰা। অডেব্ৰে" দুৰ্নীতি কেলেংকাৰীৰ মাজত পূৰ্বৰ ৰাষ্ট্ৰপতি পেড্ৰ' পাবলো কুচিনস্কিৰ পদত্যাগৰ পিছত তেওঁ ক্ষমতালৈ আহিছিল আৰু তিনি বছৰৰ পাছতে একেটা কেলেংকাৰীৰ সৈতে জড়িত বুলি অভিযোগ উত্থাপিত হোৱাত কংগ্ৰেছে তেওঁক পদচ্যুত কৰিছিল। পেৰুত প্ৰাক্তন ৰাষ্ট্ৰপতিসকলৰ কাৰাদণ্ড লাভ কৰাটো নতুন কথা নহয়। গত কেইবছৰমানৰ ভিতৰতে কমেও তিনিজন প্ৰাক্তন ৰাষ্ট্ৰপতি দুৰ্নীতিৰ দোষত কাৰাগাৰত আছে বা আত্মহত্যা কৰিছে। ২০১৮ৰ পৰা এতিয়ালৈকে দেশত ছয়জন ৰাষ্ট্ৰপতি ক্ষমতালৈ আহিল আৰু প্ৰায় প্ৰত্যেকৰে বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈছে। এই পৰিস্থিতিয়ে পেৰুৰ গভীৰ ৰাজনৈতিক অস্থিৰতা আৰু প্ৰশাসনিক দুৰ্নীতিৰ চিত্ৰ প্ৰতিফলিত কৰিছে বুলি আন্তৰ্জাতিক বিশ্লেষকসকলে মন্তব্য কৰিছে।

# মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে সামাজিক মাধ্যমত অপপ্ৰচাৰ! গ্ৰেপ্তাৰ

হোৱা নেতাসকল হৈছে চাবুৱাৰ প্ৰাক্তন বিধায়ক তথা প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি ৰাজু চাহু, প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ উপেন ৰাজ নাথ, মাজুলী জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক জীৱেশ্বৰ গাম আৰু ৰূপহীৰ কংগ্ৰেছ নেতা বাহাৰুল ইছলাম। এই চাৰিওগৰাকী নেতাৰ বিৰুদ্ধে অভিযোগ যে তেওঁলোকে এই ভুৱা ভিডিঅ'টো সামাজিক মাধ্যমত প্ৰচাৰ কৰি মুখ্যমন্ত্ৰীৰ সুনাম ক্ষুণ্ণ কৰাৰ চেষ্টা কৰিছিল। ভুৱা ভিডিঅ'টোত বলীউডৰ মেগাষ্টাৰ অমিতাভ বচ্চনৰ জনপ্ৰিয় টেলিভিছন শ্ব' 'কৌন বনেগা ক্ৰ'ৰপতি'ৰ দৃশ্যৰ আধাৰত এডিটিং কৰি দেখুওৱা হৈছিল যে অমিতাভ বচ্চনে এগৰাকী প্ৰতিযোগীক প্ৰশ্ন কৰিছে — "ভাৰতৰ সৰ্বাধিক দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী কোন?" প্ৰতিযোগীয়ে উত্তৰ দিয়ে "হিমন্ত বিশ্ব শৰ্মা" আৰু অমিতাভে সেই উত্তৰক সঠিক বুলি ঘোষণা কৰে। এই ভিডিঅ'টো বিগত কেইসপ্তাহমানৰ পৰা ফেচবুক, হোৱাটছএপ আদি প্লেটফৰ্মত তীব্ৰগতিত ভাইৰেল হৈ আহিছিল। CIDৰ তদন্তত প্ৰকাশ পাইছে যে এই ভিডিঅ'টো সম্পূৰ্ণৰূপে AIৰ সহায়ত নিৰ্মিত আৰু ইয়াত অমিতাভ বচ্চনৰ মাত আৰু মুখৰ গতিৰ নকল কৰা হৈছে। গ্ৰেপ্তাৰ হোৱা কংগ্ৰেছ নেতাসকলে এই ভিডিঅ'টো বিভিন্ন গ্ৰুপত শ্বেয়াৰ কৰি প্ৰচাৰত সহায় কৰিছিল বুলি আৰক্ষীৰ দাবী। এই ঘটনাক লৈ ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে এই ভিডিঅ'ৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছিল আৰু অসম আৰক্ষীয়ে ইয়াক অতি গুৰুত্ব সহকাৰে লৈ তদন্ত আৰম্ভ কৰিছিল। গ্ৰেপ্তাৰ হোৱা নেতাসকলৰ পৰা প্ৰাথমিক জেৰাত এই ভিডিঅ'ৰ মূল নিৰ্মাতাৰ সন্ধানৰ চেষ্টা চলি আছে বুলি CIDৰ বিষয়াই জানিবলৈ দিছে। ইপিনে কংগ্ৰেছে এই গ্ৰেপ্তাৰক "ৰাজনৈতিক প্ৰতিহিংসা" বুলি অভিহিত কৰি প্ৰতিবাদ অব্যাহত ৰাখিছে। এই ঘটনাই পুনৰবাৰ AIৰ অপব্যৱহাৰৰ জৰিয়তে ৰাজনৈতিক চৰিত্ৰ হননৰ বিপদাশংকাক সন্মুখলৈ আনিছে।

# অসমৰ ৪০৬খন উচ্চ মাধ্যমিক

প্ৰকাশ কৰে। ডাঃ পেগুৱে লগতে কয়, যে বৰ্তমান ৰাজ্যখনৰ চাহ বাগিছাসমূহত ১১৮খন আদৰ্শ বিদ্যালয়ৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু প্ৰতিখন আদৰ্শ বিদ্যালয়তে পাঠদান ইতিমধ্যে আৰম্ভ হৈছে। ইয়াৰে ৮৭খন বিদ্যালয়ত ষষ্ঠৰ পৰা দশম শ্ৰেণীলৈ আৰু ৩১খন বিদ্যালয়ত ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীলৈ পাঠদান কৰা হৈছে বুলি শিক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ইপিনে, উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই দ্বিতীয় এডভাণ্টেজ আছামত দেশী-বিদেশী বিনিয়োগকাৰীৰ সৈতে হোৱা চুক্তি সন্দৰ্ভত এটা প্ৰশ্নৰ লিখিত উত্তৰত কয়, যে এই শীৰ্ষ সন্মিলনত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ সৈতে ২৯৭খন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছিল আৰু ইতিমধ্যে ইয়াৰে ৭০খন বুজাবুজিৰ চুক্তি কাৰ্য্যকৰী হৈছে।

# মাজুলীত খহনীয়াৰ পৰা পৰিত্ৰাণ বিচাৰি

বৰ্তমানৰ অৱস্থাত একপ্ৰকাৰে এক সংকুচিত অঞ্চল হিচাপে পৰিগণিত পৰাৰ পিছত বৰ্তমানো অঞ্চলটোৰ মূল সমস্যা গৰাখহনীয়া ৰোধৰ কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ দীৰ্ঘদিনীয়া। অঞ্চলটোত ভূমি সুৰক্ষাৰ বাবে সংস্থাপন কৰা জীঅ বেগ সমূহ এতিয়া নদীৰ বুকুত জাহ যোৱাৰ বাহিৰে খহনীয়া ৰোধৰ নামত এটা প্ৰকাণ্ড শূন্যৰ বাহিৰে একো নাই। উজনি মাজুলীৰ মৃৎশিল্প আৰু নৌকা শিল্পৰ বৰঘৰ শালমৰা, মাজুলীৰ শস্যৰ ভড়াল স্বৰূপ ভকতচাপৰি, ভেকেলি, মদাৰগুৰি, কৰতিপাৰ, ঐতিহ্যমণ্ডিত সত্ৰানুষ্ঠান দক্ষিণপাট সত্ৰৰ সন্মুখ ভাগ আৰু অফলামুখৰ নদীপৰীয়া ৰাইজে এই বাৰিষাৰ আগমনৰ লগে লগে ভয় আৰু সংকাৰ মাজেৰে দিন আতিবাহিত কৰিব লগীয়া হৈছে। নদীদ্বীপটোৰ ভৌগোলিক সুৰক্ষাৰ দায়িত্ব গ্ৰহণ কৰা কেন্দ্ৰীয় সংস্থা ব্ৰহ্মপুত্ৰ বৰ্ড যেন এতিয়া নীৰৱ দৰ্শক। বৰ্তমান শালমৰাৰৰ পাৰত স্থাপন কৰা জীঅ বেগ সমূহ নিতৌ নদীৰ বুকুত যাঁহ যাবলৈ ধৰিছে। ব্ৰহ্মপুত্ৰৰ কালৰূপত বহু কেইটা পৰিয়ালে ঘৰৰ ভেটি স্থানন্তৰ কৰাও পৰিলক্ষিত হৈছে। মাজুলীৰ ভৌগোলিক সুৰক্ষাৰ দায়িত্বত থকা কেন্দ্ৰীয় চৰকাৰৰ অধিনস্থ সংস্থা ব্ৰহ্মপুত্ৰ বৰ্ডে ২০০৪ চনৰ পৰাই মাজুলী সুৰক্ষাৰ দায়িত্ব পালন কৰি আছে যদিও আজি পৰ্যন্ত দ্বীপ জিলা খনৰ বেজীৰ আগৰ ভূমিও ৰক্ষা কৰিব পৰা নাই বুলি প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে অভিযোগ দীৰ্ঘদিনীয়া। জিলাখনৰ ২৭ কিলোমিটাৰৰ লগতে শালমৰাৰ পৰা দক্ষিণপাটলৈ ২৩৭ কোটি টকাৰে জি'ও বেগ সংস্থাপন কৰি মাজুলীৰ ভূমিৰ স্থায়ী সুৰক্ষা দায়িত্ব পালন কৰি যোৱা টি কে কোম্পানীৰ দুৰ্নীতিগ্ৰস্ত কামৰ ফল এতিয়া নদীপৰীয়া ৰাইজে ভোগ কৰিব লগা হৈছে। যাৰ বাবে এতিয়া শালমৰাৰ আঠশটা পৰিয়ালৰ শেষ ভৰসা নেদেখা জনেই হৈ পৰিছে। সেই অনুসৰি যোৱা কালিৰে পৰা শালমাৰা অঞ্চলৰ ৰাইজে প্ৰবল খহনীয়াৰ পৰা ৰক্ষা পাবলৈ এইবাৰ চৰকাৰৰ ওচৰত নহয় শেষ ভৰসা হিচাপে নেদেখা জনৰ আশীৰ্বাদ ল'বলৈ ৰাইজে দুদিনীয়াকৈ ব্ৰহ্মপুত্ৰ পূজন নামৰ আধ্যাত্মিক অনুষ্ঠান অনুষ্ঠিত কৰে। দুদিনীয়াকৈ অনুষ্ঠিত কৰা আধ্যাত্মিক অনুষ্ঠানৰ কালি প্ৰথম দিনৰ কাৰ্যসূচীত প্ৰভাত ফেৰী, কীৰ্তন, সংকল্প তিলক ধাৰণ, আয়তী সকলৰ নাম প্ৰসংগ, খোল-প্ৰসংগ আৰু নামযজ্ঞ সম্পন্ন হয়। অনুষ্ঠানৰ নাম কীৰ্তন অনুষ্ঠানত মাজুলীৰ প্ৰাচীন চামগুৰি সত্ৰৰ ডেকা সত্ৰীয়া তাৰানাথ মহন্ত নামাচাৰ্য হিচাপে অংশগ্ৰহণ কৰে। ইফালে আজি অনুষ্ঠানৰ দ্বিতীয় দিনা কাৰ্যসূচী অনুসৰি ব্ৰহ্মপুত্ৰৰ পাৰৰ পূজাস্থলীৰ পৰা ঐতিহ্যমণ্ডিত দক্ষিণপাট সত্ৰলৈ সাংস্কৃতিক শোভাযাত্ৰা, শ্ৰী শ্ৰী দক্ষিণপাট সত্ৰৰ যাদৱৰায়ৰ পূজা, 'ভুৱন মোহন'ৰ পূজাস্থলীলৈ আগমনৰ লগতে পুৱা ১০ বজাত নদী পূজন মহাযজ্ঞৰ আগমন অনুষ্ঠান সম্পন্ন হয়। বিয়লি তিনি বজাত 'ভুৱন মোহন' বিগ্ৰহৰ সত্ৰলৈ প্ৰত্যাৱৰ্তনৰ লগতে সন্ধ্যা বন্তি প্ৰজ্বলন আৰু সামৰণিত নাওশলীয়া গাঁৱৰ বৈষ্ণৱ বৃন্দৰ দ্বাৰা 'ৰাস কীৰ্তন পৰিৱেশিত হয়। মাজুলীৰ ঐতিহ্যমণ্ডিত দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ ননীগোপাল দেৱ গোস্বামীয়ে উক্ত নদী পূজনৰ আধ্যাত্মিক কৰ্ম মাংগলিক নিয়মেৰে সম্পন্ন কৰি মাজুলীৰ ভৌগোলিক অস্তিত্ব সুৰক্ষাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই সাংবাদিকৰ আগত কয় যে-সনাতন পৰম্পৰাত তেত্ৰিশ কোটি দেৱতা আছে। শাস্ত্ৰ পোৱাৰ দৰে গংগা, যমুনা, হিমালয় তথা গোৱৰ্ধন পৰ্বতৰো পূজা থকাৰ কথাটো আমি সকলোৱে জানো। সেই পৰম্পৰাৰে ব্ৰহ্মপুত্ৰকো শ্ৰদ্ধা জনোৱাৰ নিয়ম আছে যদিও ব্ৰহ্মপুত্ৰৰ বিশেষ বিধি নাছিল। দক্ষিণপাট সত্ৰৰ দশম সত্ৰাধিকাৰ বাসুদেৱ প্ৰভু ঈশ্বৰে ব্ৰহ্মপুত্ৰৰ তান্ত্ৰিক নিয়মেৰে এখন বিধি নিৰ্মাণ কৰিছিল আৰু সেই বিধিৰে ব্ৰহ্মপুত্ৰৰ পূজা অৰ্চনা কৰিলে ভগৱান সন্তুষ্ট হৈ বুলি দক্ষিণপাট সত্ৰত পৰম্পৰাগ চলি আছে। কোনো ঠাইত ব্ৰহ্মপুত্ৰৰ কোপ দৃষ্টি হলেই ৰাইজৰ অনুৰোধত তাত ১২-২৪ ঘণ্টীয়া কাৰ্যসূচীৰে ব্ৰহ্মপুত্ৰৰ পূজা কৰাৰ পৰম্পৰা মানিয়েই শালমাৰা ৰাইজৰ অনুৰোধত ব্ৰহ্মপুত্ৰৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ, ব্ৰহ্মপুত্ৰৰ কৃপা দৃষ্টি লাভৰ বাবে সকলো মাংগলিক বিধিৰ শেষত ব্ৰহ্মপুত্ৰত পূজা দিয়া হয় বুলি তেওঁ উল্লেখ কৰে। তেওঁ মহাপ্ৰভুৰ ইচ্ছা আৰু ৰাইজৰ ব্ৰহ্মপুত্ৰৰ প্ৰতি থকা শ্ৰদ্ধাই হয়টো মাজুলীবাসী তথা শালমাৰা বাসীক ব্ৰহ্মপুত্ৰই কৃপা দৃষ্টি দিব বুলি সত্ৰাধিকাৰ গৰাকীয়ে আশা প্ৰকাশ কৰে।

# ৩ ডিচেম্বৰত প্ৰদান কৰা হ'ব আৰক্ষীৰ নিযুক্তি-পত্ৰ

একেলগে তিনিটা সুখবৰ শুনালে। প্ৰথমতে তেওঁ ঘোষণা কৰে যে অসম আৰক্ষীৰ কনিষ্ঠবল, কমাণ্ডো, ইউবি আৰু উপ-পৰিদৰ্শক পদৰ লিখিত আৰু শাৰীৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱা সকলো প্ৰাৰ্থীক আগন্তুক ৩ ডিচেম্বৰত আনুষ্ঠানিকভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। এই ঘোষণাই হাজাৰ হাজাৰ যুৱক-যুৱতীৰ মাজত উলহ-মালহৰ সৃষ্টি কৰিছে। দ্বিতীয়তে মুখ্যমন্ত্ৰীয়ে জনায় যে আগন্তুক মেট্ৰিক পৰীক্ষাত বহিবলগীয়া প্ৰায় ৪ লাখ ২৫ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰতিশ্ৰুত তিনি মাহৰ ৩০০ টকাকৈ ভাত্তাৰ প্ৰথম কিস্তি ২৮ নৱেম্বৰৰ পৰাই তেওঁলোকৰ বেংক একাউণ্টত জমা হ'বলৈ আৰম্ভ কৰিব। এই ধনেৰে ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে পুথি-বহী, ষ্টেচনাৰী আৰু অন্যান্য সামগ্ৰী ক্ৰয় কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তৃতীয়তে তেওঁ ঘোষণা কৰে যে সদ্যসমাপ্ত বিটিচি নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত দিয়া প্ৰতিশ্ৰুতি অনুসৰি আগন্তুক ১২ ডিচেম্বৰত কোকৰাঝাৰত এক বৃহৎ অনুষ্ঠানৰ জৰিয়তে বড়োলেণ্ড অঞ্চলত অৰুণোদয় আঁচনি আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব। এতিয়ালৈকে বিটিচি অঞ্চলত এই জনপ্ৰিয় আঁচনি প্ৰৱৰ্তন হোৱা নাছিল। ফেচবুক লাইভত মুখ্যমন্ত্ৰীয়ে কয়, "আমি প্ৰতিটো প্ৰতিশ্ৰুতি সময়মতে পূৰণ কৰি আহিছোঁ। যুৱক-যুৱতীৰ চাকৰিৰ সপোন, ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাৰ সুবিধা আৰু বড়োলেণ্ডৰ মহিলাৰ আৰ্থিক সবলীকৰণ— এই তিনিটা ক্ষেত্ৰতে আমি একেলগে আগবাঢ়িছোঁ।" এই ত্ৰিমুখী ঘোষণাই ৰাজ্যজুৰি উৎসাহৰ সঞ্চাৰ কৰিছে। বিশেষকৈ আৰক্ষীৰ নিযুক্তিৰ অপেক্ষাত থকা যুৱক-যুৱতীসকলে এতিয়া নতুন উৎসাহেৰে প্ৰশিক্ষণৰ প্ৰস্তুতি আৰম্ভ কৰিছে।

# ৯ বছৰত ২৭ হাজাৰ কোটিৰ ৰাজহ সংগ্ৰহ, ১৫২০খন

নতুনকৈ ১, ৫২০খন দেশী আৰু বিদেশী সুৰাৰ বিপণিৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰা হৈছে। ফলত সুৰাৰ পৰা ৰাজহ আহৰণৰ পৰিমাণ দ্ৰুতগতিত বৃদ্ধি পাই গৈছে। মন্ত্ৰীগৰাকীয়ে সদনত জনোৱা মতে, ২০১৬-১৭ বিত্তীয় বৰ্ষত সুৰাৰ পৰা ১, ৪৩৩ কোটি টকা আহৰণ হৈছিল, যিটো ২০২৩-২৪ বৰ্ষত বৃদ্ধি পাই ৪, ৭৯৮ কোটি টকালৈকে উপনীত হৈছে। ২০২৪-২৫ বৰ্ষৰ প্ৰথম দহ মাহতেই (জানুৱাৰীলৈ) ৪, ২৮১ কোটি টকাৰো অধিক ৰাজহ সংগ্ৰহ হৈছে। গত ন বছৰত মুঠ সুৰাৰ পৰা ২৭, ০২৯ কোটি টকাৰো অধিক ৰাজহ আহৰণ হৈছে। বিগত সময়ছোৱাত দেশী সুৰাৰ ৯৭০খন আৰু বিদেশী সুৰাৰ ৫৫০খন বিপণিৰ নতুন অনুজ্ঞাপত্ৰ দিয়া হৈছে। দেশী সুৰাৰ বিপণি গ্ৰাম্য অঞ্চলত ৬৩৬খন আৰু নগৰীয়া অঞ্চলত ৩৩৪খন মুকলি কৰা হৈছে। বিদেশী সুৰাৰ ক্ষেত্ৰত গ্ৰাম্য অঞ্চলত ৩৭৮খন আৰু নগৰ অঞ্চলত ১৭২খন অনুজ্ঞাপত্ৰ প্ৰদান কৰা হৈছে। জিলা অনুসৰি দেশী সুৰাৰ সৰ্বাধিক বিপণিৰ অনুজ্ঞাপত্ৰ দিয়া হৈছে গোলাঘাটত (১২৭ খন) আৰু কামৰূপ মহানগৰত (১১৭ খন)। বিদেশী সুৰাৰ ক্ষেত্ৰত শীৰ্ষত আছে শোণিতপুৰ জিলা (৭৬ খন)। চৰকাৰৰ যুক্তি, এই বিপণিসমূহ মুকলি কৰাৰ ফলত অবৈধ চুলাই, ভেজাল আৰু অবধ সুৰাৰ প্ৰচলন উল্লেখযোগ্যভাৱে হ্ৰাস পাইছে আৰু ৰাজহ সংগ্ৰহ বৃদ্ধি পাইছে। গুৱাহাটী মহানগৰীত নিশা ১১ বজালৈ বিপণি খোলা ৰখাৰ অনুমতিও দিয়া হৈছে। উল্লেখ্য যে অসমত সুৰাৰ ব্যাপক প্ৰচলনৰ আৰম্ভণি হৈছিল প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ আমোলৰ পৰা। পিছলৈ প্ৰফুল্ল কুমাৰ মহন্তৰ অগপ চৰকাৰে ১৮০ মিলিলিটাৰৰ সৰু বটলৰ প্ৰচলন আৰম্ভ কৰি সুৰাক আৰু সহজলভ্য কৰি তুলিছিল। বৰ্তমানৰ বিজেপি চৰকাৰেও সেই পথতে আগবাঢ়ি গৈ সুৰাৰ বিপণিৰ সংখ্যা বৃদ্ধি কৰি ৰাজকোষ সমৃদ্ধ কৰাৰ পথত আগবাঢ়িছে। ৰাজনৈতিক বিশে-ষকসকলে এই পৰিস্থিতিক "ৰাজহৰ বাবে সুৰাৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতা" বুলি সমালোচনা কৰিছে আৰু ইয়াৰ সামাজিক প্ৰভাৱৰ প্ৰতি সজাগ হোৱাৰ পৰামৰ্শ দিছে।

# যোৰহাটত দুৰ্ঘটনাৰ পৰা কথামপি ৰক্ষা পৰিল গৌৰৱ

নিজেই সামাজিক মাধ্যমত জনাইছে। নিজৰ ফেচবুক পোষ্টত গৌৰৱ গগৈয়ে লিখিছে — "যোৰহাটত মোৰ ব্যক্তিগত বাহনখন এটা সৰু দুৰ্ঘটনাত পৰিল। আচল কথা, বাহন চলাই থকা অৱস্থাতে চালকজন হঠাৎ অজ্ঞান হৈ পৰাত এই ঘটনা ঘটিল। ভগৱানৰ কৃপা আৰু ৰাইজৰ আশীৰ্বাদত মই সম্পূৰ্ণ সুস্থ আছোঁ, কোনো গুৰুতৰ আঘাত পোৱা নাই। কেৱল বাহনখনৰ সামান্য ক্ষতি হৈছে। চালকজনক তৎকালে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে আৰু তেওঁ সোনকালে আৰোগ্য লাভ কৰক, এয়াই মোৰ একমাত্ৰ কামনা।" দুৰ্ঘটনাৰ খবৰ সংবাদ মাধ্যমৰ জৰিয়তে বিয়পি পৰাত বহুতে তেওঁৰ সুস্থতাৰ খবৰ ল'বলৈ ফোন কৰিছিল বুলিও গৌৰৱ গগৈয়ে উল্লেখ কৰি সকলোকে হৃদয়ৰ পৰা ধন্যবাদ জনাইছে। তেওঁ লিখিছে, "আপোনালোক সকলোৱে চিন্তা আৰু শুভকামনাৰ বাবে মই আন্তৰিকভাৱে কৃতজ্ঞ। আপোনালোকৰ মৰম আৰু সমৰ্থনেই মোৰ প্ৰকৃত শক্তি।" ঘটনাৰ পিছতে স্থানীয় লোকে তৎক্ষণাৎ সহায় আগবঢ়াইছিল আৰু চালকজনক দ্ৰুত চিকিৎসালয়লৈ লৈ যোৱা হৈছিল বুলি জানিব পৰা গৈছে। বৰ্তমান গৌৰৱ গগৈ সম্পূৰ্ণ সুস্থ আৰু নিজৰ কাৰ্যসূচী অনুসৰি কামত ব্যস্ত হৈ পৰিছে। এই সৰু দুৰ্ঘটনাৰ পৰা ৰক্ষা পোৱাত ৰাজনৈতিক মহলৰ পৰা আৰু সাধাৰণ ৰাইজৰ পৰা গৌৰৱ গগৈলৈ শুভেচ্ছাৰ বাৰ্তাৰে সামাজিক মাধ্যম ভৰি পৰিছে।

# ধিঙৰ বিধায়ক আমিনুল ইছলামক এনএছএৰ পৰা

মুকলি কৰি দিয়াৰ নিৰ্দেশ দিছে। ফলত আজিৰ দিনটোৰ ভিতৰতে বা কাইলৈৰ ভিতৰত বিধায়কগৰাকী নগাঁও কেন্দ্ৰীয় কাৰাগাৰৰ পৰা মুক্ত হৈ ওলাই অহাৰ সম্ভাৱনা প্ৰবল হৈ পৰিছে। যোৱা ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পহলগামত সংঘটিত ভয়ংকৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত বিধায়ক আমিনুল ইছলামে সামাজিক মাধ্যমত পাকিস্তানৰ প্ৰতি সমৰ্থনসূচক বুলি গণ্য কৰা এটা মন্তব্য পোষ্ট কৰিছিল। এই মন্তব্যক লৈ দেশৰ বিভিন্ন প্ৰান্তত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল আৰু তেওঁৰ বিৰুদ্ধে দেশদ্ৰোহিতাৰ অভিযোগ উত্থাপিত হৈছিল। পিছত ২৪ এপ্ৰিলত তেওঁক গ্ৰেপ্তাৰ কৰা হয় আৰু ১৪ মে'ত নগাঁও জিলা আয়ুক্তই NSAৰ অধীনত তেওঁক আটক কৰাৰ আদেশ জাৰি কৰে। তেতিয়াৰে পৰা তেওঁ কাৰাগাৰত আবদ্ধ হৈ আছিল। বৃহস্পতিবাৰে ন্যায়াধীশ কল্যাণ ৰায় চুৰাণা আৰু ন্যায়াধীশ সুৰেশ মজুমদাৰৰ খণ্ড বিচাৰপীঠে এই গোচৰৰ চূড়ান্ত ৰায়দান কৰে। আদালতে NSAৰ অধীনত বিধায়কগৰাকীক আটক কৰি ৰখাৰ পদক্ষেপক 'অবৈধ' বুলি ঘোষণা কৰি সমুদয় আটকাদেশ বাতিল কৰে আৰু তেওঁক তৎক্ষণাৎ মুকলি কৰি দিয়াৰ নিৰ্দেশ দিয়ে। বিধায়কৰ পক্ষে গোচৰত যুক্তি দাঙি ধৰা অধিবক্তা দেৱব্ৰত শইকীয়াই সংবাদ মাধ্যমৰ আগত কয়, "মহামান্য উচ্চ ন্যায়ালয়ে স্পষ্টভাৱে কৈছে যে জিলা প্ৰশাসনে NSA প্ৰয়োগ কৰাটো সম্পূৰ্ণ অবৈধ আছিল। আমাৰ আবেদনত আদালতে বিধায়কক ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ পৰা মুক্ত কৰি দিছে আৰু তেওঁক কাৰাগাৰৰ পৰা মুকলি কৰি দিয়াৰ নিৰ্দেশ দিছে।" অধিবক্তা শইকীয়াই লগতে জনায় যে গোচৰ নম্বৰ WP(Crl)/40/2025ত দীৰ্ঘদিন ধৰি শুনানি চলি আছিল আৰু যোৱা ৬ নৱেম্বৰত শুনানি সমাপ্ত হৈ ৰায় সংৰক্ষিত ৰখা হৈছিল। বৃহস্পতিবাৰে সেই ৰায় প্ৰকাশ পাইছে। বিধায়কৰ পক্ষত মুখ্যভাৱে যুক্তি দাঙি ধৰিছিল বিশিষ্ট অধিবক্তা শান্তনু বৰঠাকুৰে আৰু তেওঁৰ লগত আছিল দেৱব্ৰত শইকীয়া আৰু সৌম্যদীপ দে'। এই ৰায়ৰ পিছতেই ধিঙৰ বিধায়ক আমিনুল ইছলামে দীৰ্ঘ সাত মাহৰো অধিক কালৰ কাৰাবাসৰ অন্ত পেলাই মুক্ত বতাহত উশাহ ল'ব পাৰিব বুলি আশা কৰা হৈছে। কাৰাগাৰৰ আনুষ্ঠানিকতা সম্পূৰ্ণ হোৱাৰ পিছতেই তেওঁৰ মুক্তিৰ পথ মুকলি হ'ব।

# কমনৱেলথ গেমছ ফেডাৰেচনৰ সাধাৰণ সভাত

আগত মুকলি কৰে। দুটা দশকৰ পাছত ভাৰতত পুনৰ কমনৱেলথ গেমছ ঘূৰি আহিছে। ২০১০ত নতুন দিল্লীত এই মহাসমাৰোহ অনুষ্ঠিত হৈছিল আৰু এতিয়া আহমেদাবাদে সেই দায়িত্ব লাভ কৰিলে। বিশেষকৈ ২০৩০ চনত কমনৱেলথ গেমছে নিজৰ শতবাৰ্ষিকী উদযাপন কৰিব, সেয়েহে এইবাৰৰ আয়োজনৰ গুৰুত্ব আৰু বেছি। আহমেদাবাদৰ চৰ্দাৰ বল্লভভাই পেটেল স্প'ৰ্টছ এনক্লেভত বিশ্বৰ সৰ্ববৃহৎ ক্ৰিকেট ষ্টেডিয়াম নৰেন্দ্ৰ মোডী ষ্টেডিয়ামৰ লগতে অত্যাধুনিক একুৱেটিকছ চেণ্টাৰ, ইনড'ৰ এৰিনা আৰু অন্যান্য ক্ৰীড়া স্থলী ইতিমধ্যে সাজু হৈ আছে। বিগত কেইবছৰমানৰ ভিতৰতে আহমেদাবাদে কমনৱেলথ ভাৰোত্তোলন চেম্পিয়নশ্বিপ আৰু এছিয়ান একুৱেটিকছ চেম্পিয়নশ্বিপৰ দৰে বৃহৎ প্ৰতিযোগিতা সফলতাৰে আয়োজন কৰি নিজৰ সামৰ্থ্যা প্ৰমাণ কৰিছে। এই সিদ্ধান্তই ভাৰতৰ ২০৩৬ গ্ৰীষ্মকালীন অলিম্পিক আয়োজনৰ সপোনকো নতুন শক্তি যোগাইছে। ক্ৰীড়া বিশ্লেষকসকলে কয় যে, ২০৩০ৰ কমনৱেলথ গেমছ যিমান সুন্দৰকৈ আয়োজন কৰিব পৰা যাব, ২০৩৬ৰ অলিম্পিকৰ দিশত আন্তৰ্জাতিক সমৰ্থন সিমানেই বাঢ়িব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে সামাজিক মাধ্যমত লিখিছে যে এই আয়োজনৰ জৰিয়তে বিশ্বই এক নতুন, আত্মনিৰ্ভৰশীল আৰু ক্ৰীড়াপ্ৰেমী ভাৰতক চাবলৈ পাব। গুজৰাট চৰকাৰেও ইতিমধ্যে প্ৰতিশ্ৰুতি দিছে যে বিশ্বমানৰ সুবিধাৰে এই গেমছক এক অবিস্মৰণীয় ঘটনা কৰি তুলিব। সেয়েহে ২০৩০ত যেতিয়া কমনৱেলথৰ শতবাৰ্ষিকী উদযাপন হ'ব, তেতিয়া আহমেদাবাদৰ মাটিত সেই উৎসৱৰ ৰং ছটিয়াই পৰিব বুলি আশা কৰিছে সমগ্ৰ দেশবাসী।

# হাৰিয়ানাত বিজেপিৰ দলীয় কাৰ্যালয়ৰ পথ বহল কৰিবলৈ

সন্মুখীন কৰিছে। বুধবাৰে শুনানিৰ সময়ত ন্যায়াধীশ জে বি পাৰ্দিৱালা আৰু কে ভি বিশ্বনাথনৰ বিভাগীয় পীঠে এই কাণ্ডক "জঘন্য" আৰু "অক্ষম্য" বুলি অভিহিত কৰি হাৰিয়ানা চৰকাৰক কঠোৰ ভৰ্ৎসনা কৰে। এই গোচৰৰ আবেদনকাৰী হৈছে ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধত সাহসেৰে নেতৃত্ব দি বীৰ চক্ৰেৰে সন্মানিত প্ৰাক্তন সেনা অফিচাৰ কৰ্ণেল দবিন্দৰ সিং ৰাজপুত (৭৯)। তেওঁৰ অভিযোগ, কৰ্ণালৰ আৱাসিক এলেকাত থকা নিজৰ বাসগৃহৰ সন্মুখৰ ১০০ মিটাৰ দৈৰ্ঘ্যৰ গ্ৰীণ বেল্টত থকা গছবোৰ চৰকাৰে সম্পূৰ্ণ অবৈধভাৱে কাটি পেলাইছে যাতে বিজেপিৰ দলীয় কাৰ্যালয়ৰ বাবে ১০ মিটাৰ বহল পথ নিৰ্মাণ কৰিব পৰা যায়। ৩৬ বছৰ পূৰ্বে এইচ এছ ভি পি (পূৰ্বৰ হুডা)ৰ পৰা মাটি ক্ৰয় কৰোঁতে গ্ৰীণ বেল্টৰ সুবিধাৰ বাবদেই তেওঁ 'প্ৰেফাৰেন্সিয়েল লকেচন চাৰ্জ' দিছিল। শুনানিৰ সময়ত ন্যায়াধীশসকলে হাৰিয়ানা চৰকাৰৰ অতিৰিক্ত ছলিচিটৰ জেনেৰেলক প্ৰশ্ন কৰে, "ৰাজনৈতিক দলৰ কাৰ্যালয়ৰ বাবে গছ কাটিব লাগেনে? আন ঠাইত কৰিব নোৱাৰিলেহেঁতেনে? ৪০ ডাল প্ৰাচীন গছৰ ক্ষতিপূৰণ কেনেকৈ হ'ব? সমান সংখ্যক গছ ৰোপণ কৰিলেই সকলো শুজিব বুলি ভাবে নেকি?" চৰকাৰৰ পক্ষই যুক্তি দিয়ে যে সকলো প্ৰয়োজনীয় অনুমতি লোৱা হৈছে আৰু কটা গছৰ সলনি সমান সংখ্যক গছ ৰোপণ কৰা হ'ব। কিন্তু এই উত্তৰত সন্তুষ্ট নহৈ ন্যায়ালয়ে কয়, "এই কথাৰ যুক্তিসংগত ব্যাখ্যা নিদিলে আমি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিম। হাৰিয়ানা নগৰ উন্নয়ন আইন, ১৯৭৭ আৰু টাউন এণ্ড কাণ্ট্ৰি প্লেনিঙৰ নিয়ম স্পষ্টভাৱে উলংঘা কৰা হৈছে। এই কাণ্ডৰ বাবে সকলো দায়ী বিষয়াক জবাবদিহি কৰিব লাগিব।" কৰ্ণেল ৰাজপুতৰ আইনজীৱীয়ে জনোৱা মতে, প্ৰথমে হাৰিয়ানা উচ্চ ন্যায়ালয়ত দাখিল কৰা ৰিট আবেদন খাৰিজ হোৱাৰ পিছতহে তেওঁলোকে উচ্চতম ন্যায়ালয়ৰ দুৱাৰ মুখ কৰিছিল। পৰিৱেশপ্ৰেমীসকলে এই ঘটনাক "ৰাজনৈতিক স্বাৰ্থৰ বাবে পৰিৱেশ ধ্বংসৰ জঘন্য উদাহৰণ" বুলি সমালোচনা কৰিছে। ন্যায়ালয়ে পৰৱৰ্তী শুনানিৰ তাৰিখ নিৰ্ধাৰণ কৰি হাৰিয়ানা চৰকাৰক সকলো নথি-পত্ৰৰ সৈতে হাজিৰ হ'বলৈ নিৰ্দেশ দিছে।

